483
1575

কবিৰত্ন বৈকুণ্ঠনাথ ভাগৱত-ভট্টাচাৰ্য্যৰ

শ্ৰীভাগৱত-কথা

MOTI RAM BORA BALIKA VIDYAPITH
ESTD 1963
P.O. NOWGONG ASSAM.

সম্পাদক
মহেশ্বৰ নেওগ
অধ্যাপক, গুৱাহাটী বিশ্ববিদ্যালয়

দ্বিতীয় সংস্কৰণ
১৯৬০

লয়াৰ্ছ বুক ষ্টল
গুৱাহাটী : অসম

SLNo 883

কবিৰত্ন বৈকুণ্ঠনাথ ভাগৱত-ভট্টাচাৰ্য্যৰ

শ্ৰীভাগৱত-কথা

443
1575

প্ৰথম স্কন্ধ

From :-
Sri. M. N. Laskar.
Nowgong.

সম্পাদক

মহেশ্বৰ নেওগ

অধ্যাপক, গুৱাহাটী বিশ্ববিদ্যালয়

MOTI RAM BORA BALIKA VIDYAPITH
Estd 1963
Date
P.O. NOWGONG ASSAM.

দ্বিতীয় সংস্কৰণ

১৯৬০

লয়াৰ্ছ বুক ষ্টল

গুৱাহাটী : অসম

প্ৰকাশক ঃ
শ্ৰীবিচিত্ৰনাৰায়ণ দত্ত বৰুৱা, বি-এল
লয়াৰ্ছ বুক ষ্টল
গুৱাহাটী, অসম।

প্ৰথম সংস্কৰণ—১৯৫৯
দ্বিতীয় সংস্কৰণ—১৯৬০

বেচ ১·৫০ ন. প.

মুদ্ৰক ঃ
শ্ৰীকালীচৰণ পাল
নবজীৱন প্ৰেছ
৬৬ গ্ৰে ষ্ট্ৰীট, কলিকতা-৬

সূচীপত্ৰ

॥ ভূমিকা ॥

॥ কবিৰত্নৰ জীৱনী ॥ ১ ॥

॥ কবিৰত্নৰ ৰচনাৱলী ॥ ৭ ॥

॥ কথাকাৰ কবিৰত্ন আৰু গোপালচৰণ ॥ ১০ ॥

॥ কবিৰত্নৰ একশৰণ নামধৰ্ম্ম ॥ ১২ ॥

॥ কবিৰত্নৰ কথাশৈলী ॥ ১৫ ॥

॥ শ্ৰীভাগৱত-কথা ॥

॥ প্ৰথম স্কন্ধ ॥

॥ প্ৰথম অধ্যায় ॥ সূতৰ প্ৰতি নৈমিষাৰণ্যৰ ঋষিসকলৰ ছটি প্ৰশ্ন ॥ ১ ॥

॥ দ্বিতীয় অধ্যায় ॥ সূতৰ দ্বাৰা চাৰিটি প্ৰশ্নৰ উত্তৰ ॥ ৪ ॥

॥ তৃতীয় অধ্যায় ॥ বাইশ অৱতাৰ-কথনেৰে ভাগৱত-ব্যাখ্যা ॥ ৫ ॥

॥ চতুৰ্থ অধ্যায় ॥ ব্যাসৰ অপৰিতোষ ॥ ৮ ॥

॥ পঞ্চম অধ্যায় ॥ সকল ধৰ্ম্মত কৰি হৰি-কীৰ্ত্তনৰ শ্ৰেষ্ঠত্ব ॥ ৯ ॥

॥ ষষ্ঠ অধ্যায় ॥ নাৰদৰ পূৰ্ব্বজন্মৰ ভাগ্য-কথন ॥ ১২ ॥

॥ সপ্তম অধ্যায় ॥ সুপ্ত বালকবধী দ্ৰৌণিৰ দণ্ড ॥ ১৪ ॥

॥ অষ্টম অধ্যায় ॥ পৰীক্ষিতৰ ৰক্ষা, কুন্তীৰ স্তুতি, ৰাজাৰ শোক ॥ ১৬ ॥

॥ নৱম অধ্যায় ॥ ভীষ্ম-স্তুতি ॥ ১৮ ॥

॥ দশম অধ্যায় ॥ কৃষ্ণ চলিতে পুৰস্ত্ৰীসৱৰ বাক্য ॥ ২০ ॥

॥ একাদশ অধ্যায় ॥ আনৰ্ত্তবাসীৰ স্তুতি আৰু কৃষ্ণৰ পুৰ-প্ৰৱেশ ॥ ২২ ॥

॥ দ্বাদশ অধ্যায় ॥ পৰীক্ষিতৰ জন্ম ॥ ২৪ ॥

॥ ত্ৰয়োদশ অধ্যায় ॥ ধৃতৰাষ্ট্ৰৰ নিৰ্গম ॥ ২৬ ॥

॥ চতুৰ্দ্দশ অধ্যায় ॥ যুধিষ্ঠিৰৰ চিন্তা ॥ ২৮ ॥

॥ পঞ্চদশ অধ্যায় ॥ পাণ্ডৱৰ পয়াণ ॥ ২৯ ॥

॥ ষোড়শ অধ্যায় ॥ ধৰ্ম্ম-পৃথিৱীৰ সম্বাদ ॥ ৩২ ॥

॥ সপ্তদশ অধ্যায় ॥ কলি-নিগ্ৰহ ॥ ৩৪ ॥

॥ অষ্টাদশ অধ্যায় ॥ পৰীক্ষিতৰ ব্ৰহ্ম-শাপ ॥ ৩৬ ॥

॥ ঊনবিংশ অধ্যায় ॥ পৰীক্ষিতৰ বৈৰাগ্য, শুকৰ আগমন ॥ ৩৮ ॥

॥ শব্দ-সূচী ॥ ৪৩ ॥

॥ শ্রীভাগবত-কথা ॥

॥ প্রথম স্কন্ধ ॥

॥ প্ৰথম স্কন্ধ ॥

॥ প্ৰথম অধ্যায় ॥

॥ সূতৰ প্ৰতি নৈমিষাৰণ্যৰ ঋষিসকলৰ ছটি প্ৰশ্ন ॥

॥ শ্লোক ॥ যো লোকমোক্ষায় যশোৰিতত্যৈ
চকাৰ লীলাং ব্ৰজৰাসিভৃত্যৈ।
তং গোপৱেশং প্ৰণমামি কৃষ্ণং
তৎকীৰ্তিগীতোদ্ধৃতগোপযুষ্টম্ ॥
শ্ৰীকৃষ্ণপাদযুগলাব্জসুলুব্ধভৃঙ্গাঃ
গায়ন্তি যজ্জনমনোহৰশাস্ত্ৰমুচ্চৈঃ ॥
তৎসম্প্ৰদায়কথয়া কথয়ামি গাথাং
সদ্ভক্তবৃন্দৰতয়ে মতয়ে জনানাম্ ॥

জয় জয় শ্ৰীকৃষ্ণ বিষ্ণু দৈৱকী-নন্দন পৰমানন্দ গোৱিন্দ যো জগত-ঈশ্বৰ পুৰুষোত্তম সকল লোকক কৃপায়ে অৱতৰি বহুবিধ লীলা কয়ল, সেই গোপবেশ নন্দনন্দন-চৰণে সহস্ৰ কোটিবাৰ প্ৰণাম কৰো। যাৰ নাম পাপ হৰে, পৰম মঙ্গল, মুকুতিদায়ক, তাহানে চৰিত্ৰ শ্ৰীভাগৱত শাস্ত্ৰ দ্বাদশ স্কন্ধ, তিনি শত পঞ্চত্ৰিংশ অধ্যায়, তাহাৰ কথাবন্ধে কিছো নিবন্ধিতে চাঞো। মঞি অল্পমতি তথাপি শ্ৰীদামোদৰৰ আজ্ঞায়ে সন্তসৱৰ অনুগ্ৰহ কাৰণে টীকা-ভাষ্য অনুসৰি সংক্ষেপ প্ৰকাৰে নিবন্ধিবো।

প্ৰথমে প্ৰথম কন্ধ কহো। বিশ্ব-সৃষ্টি আদি নৱ-লক্ষণে-লক্ষিত জগতৰ পৰম আশ্ৰয় শ্ৰীকৃষ্ণক নমো।

বেদব্যাস ঋষি প্ৰথমে নানা শাস্ত্ৰ কৰিলা; তথাপি মন প্ৰসন্ন নভৈল। পৰম খেদত শ্ৰীনাৰদ-উপদেশে শ্ৰীভাগৱত কৰিতে শাস্ত্ৰৰ

প্ৰতিপাদ্য পৰমেশ্বৰক চিন্তন্ত। যাত মিছা প্ৰপঞ্চ প্ৰকাশে, যাত হন্তে জগতৰ সৃষ্টি-স্থিতি-সংহাৰ হয়, প্ৰকৃতি-পুৰুষতো পৰ, ব্ৰহ্মাৰো জ্ঞান-দাতা, সত্য, সৰ্ব্বজ্ঞ তাহাঙ্ক চিন্তঞো।

সকল শাস্ত্ৰত কৰি শ্ৰীভাগৱত শ্ৰেষ্ঠ, যাক শ্ৰীনাৰায়ণে কহিছা, যাত কহে, পৰম ধৰ্ম্ম কেৱল হৰি-ভজন মোক্ষতো কৰি শ্ৰেষ্ঠ, যাত ব্ৰহ্মজ্ঞান অযত্নে হয়, পৰম সুখ দেই, তিনি তাপ হৰে। আন শাস্ত্ৰে তাৰ উক্ত সাধনেও ঈশ্বৰক সত্যে হৃদয়ত স্থিৰ কৰিতে নাপাৰে। ইহাত শুশ্ৰূষুসকলে তৎক্ষণে হৰিক হৃদয়ত ৰাখে। বুলিবা, সৱে কেনে নুশুনয় ? যাতো পুণ্য বিনে শ্ৰৱণ ইছা কৰিতে নাপাৰে। বেদ কল্পতৰু, তাৰ ফল ভাগৱত শাস্ত্ৰ কেৱল-অমৃত-ৰস, বৈকুণ্ঠে আছিল ; নাৰদে আনিল, ব্যাসক দিল ; ব্যাসে শুকক পঢ়াইলা ; শুক-মুখে পৃথিৱীত ব্যক্ত ভৈলা। আক জানি হে ৰসিকসৱ, সদায়ে পান কৰা, যাতো মুক্তেও আদৰে। হেন জানি সামাজিকলোক, শ্ৰীভাগৱত শাস্ত্ৰ সাৱধান মনে নিতে শ্ৰৱণ-কীৰ্ত্তন কৰা। প্ৰথমে ডাকি হৰি বোল হৰি।

নৈমিষাৰণ্যত শৌনকাদি ঋষিগণে বিষ্ণু-প্ৰাপ্তি অৰ্থে সহস্ৰ বৎসৰ যজ্ঞ কৰন্ত। একদিনা প্ৰভাতে সৰ্ব্ব কৰ্ম্ম কৰি পুৰাণ-বক্তা সূতক আদৰি প্ৰশ্ন কৰন্ত, "হে সূত, তুমি পুৰাণ, ভাৰত, ধৰ্ম্ম-শাস্ত্ৰচয় পৰিব্যাখ্যান কৰিছা ; আৰো ব্যাসাদি ঋষিসৱে যি জানন্ত, তাকো জানা, যাতো প্ৰিয় শিষ্যত গুৰুসৱে গুহ্যকো কহে। সেই সেই শাস্ত্ৰৰ পুৰুষৰ একান্তিকা শ্ৰেয়স তুমি নিশ্চয় কৰি সুগমমতে কহা। বুলিবা, আনো বিচাৰ কৰি জানোক ; তাক নপাৰে। যাতো কলি-যুগে লোক অল্পমতি, অল্পায়ু, অল্পভাগ্য, আনো নানা-তাপে-তাপিত, এতেকে বহুশাস্ত্ৰ বিভাগি শুনিতে নপাৰে। আক জানি তুমি সৰ্ব্ব-শাস্ত্ৰ-সাৰ উদ্ধাৰি লোকৰ কুশলৰ অৰ্থে কহা, যাহাত লোকৰ মন প্ৰসন্ন হৈবেক। আৰো প্ৰশ্ন কৰো,– ভগৱন্ত দৈৱকীৰ গৰ্ভে কি নিমিত্তে উপজিলা, তাক শ্ৰদ্ধায়ে শুনিবা চাঞ। যাৰ নামে সংসাৰ

তৰে, যাৰ ভক্তক দৰ্শনে সৰ্ব্বলোক পৱিত্ৰ হয়, যাৰ যশে কলি-মল বিনাশে, এতেকে তাহান কথা কোনে নুশুনিব! আৰো সৃষ্টি আদি লীলা কহ, যাক নাৰদাদিও গাৱে। আৰো হৰিৰ অৱতাৰ কথা কহ, যাক শুনিবে তৃপ্তি পাই, যাতো ক্ষণে ক্ষণে স্বাদতো কৰি স্বাদ। আৰো শ্ৰীকৃষ্ণৰ চৰিত্ৰ কহ, বলভদ্ৰ সহিতে যে যে কৰ্ম্ম কৰিছা। আৰো প্ৰশ্ন কৰো, ধৰ্ম্মৰ ৰক্ষক কৃষ্ণ বৈকুণ্ঠক গৈলে ধৰ্ম্মে কাহাত শৰণ পশিল? এহি ছয় প্ৰশ্ন আমাত বুঝাই কহ। হেন নুবুলিবা, তোৰা যজ্ঞাদিত আকুল, কেমনে এতেক কথা শুনিবা? তাত শুনা, আমি কলিকাল দেখি তাক ভয়ে তৰিবাক লাগি দীৰ্ঘ সত্ৰ পাতি আছো; এতেকে শুনিতে অৱজৰ পাঞো॥

॥ শ্ৰীদামোদৰপাদপদ্মমধুব্ৰতকৰিৰত্নকৃতায়াং শ্ৰীভাগৱতকথায়াং প্ৰথমস্কন্ধে প্ৰথমোঽধ্যায়ঃ॥

॥ হে কৃষ্ণ কৃপাময় মহেশ্বৰ, যাক জানিবাক লাগি ঋষিসৱে ছয় প্ৰশ্ন কৰিলে, হেন ভগৱন্তৰ কথাক আৰম্ভি তাক প্ৰণাম কৰো। আক জানি সামাজিক লোক ডাকি বোলা জয় কৃষ্ণ ৰাম॥

॥ শ্লোক॥ প্ৰথমে প্ৰথমাধ্যায়ে ষট্‌প্ৰশ্না ঋষিভিঃ কৃতাঃ।
তৎকথাকথনং কৃত্বা শ্ৰীকৃষ্ণং প্ৰণতোঽস্ম্যহম্॥ ১॥

॥ দ্বিতীয় অধ্যায় ॥

॥ সূতৰ দ্বাৰা চাৰিটি প্ৰশ্নৰ উত্তৰ ॥

এহি ছয় প্ৰশ্ন শুনি সূত আনন্দ ভৈলা, চাৰি প্ৰশ্নৰ উত্তৰ কহিতে লাগিলা।

প্ৰথমে গুৰু দেৱতাক নমি সংসাৰ-জয় গ্ৰন্থ আৰম্ভিলা, “সেই পুৰুষৰ পৰম ধৰ্ম্ম, যাত হন্তে হৰিত ভক্তি হৱে, যি ভক্তিত মন প্ৰসন্ন হয়। বুলিবা, ধৰ্ম্মে জ্ঞান সাধে, কেনে ভক্তি হৈব? ভাল বুলিলা, সিও জ্ঞান ভক্তি কৰিলেসে হয়; ভক্তি বিনে সকল ধৰ্ম্ম কেৱলে শ্ৰম। ধৰ্ম্ম-ফল মোক্ষ মাত্ৰ, অৰ্থ-কাম নোহে। এতেকে জীৱৰ ফলতত্ত্ব জিজ্ঞাসো। যাক বেদান্তে ব্ৰহ্ম বোলে, যোগী পৰমাত্মা বোলে, ভক্ত-সকলে ভগৱন্ত বোলে, সেই তত্ত্বক ভক্তিসে পাই। এতেকে একাগ্ৰ-মনে কৃষ্ণক শ্ৰৱণ-কীৰ্ত্তন-স্মৰণ কৰা। যাৰ ধ্যানখড়্গে কৰ্ম্ম-গ্ৰন্থি ছেদে, তাহান কথাক কোনে ৰতি নকৰিব? ভাল কহিলা; তথাপি কথাত ৰতি নহে; আবে কি কাৰবো? ইহাৰ উত্তৰ শুনা। প্ৰথমে সন্ত গুৰুকে আশ্ৰয় কৰি সেৱা কৰা; পাছে হৰি-কথা-শ্ৰৱণত ইছা হৈবেক; তেবেসে কথাত ৰতি হৈবেক। কথা শ্ৰৱণ কৰিতে কৃষ্ণ হৃদিগত হয়া সকল কাম-বাসনা নাশ কৰিবন্ত। কাম-বাসনা নাশ হৈলে হৰিত নিচল ভক্তি হৈব। তেবে কাম-ক্ৰোধ এড়াই মন প্ৰসন্ন হয়। প্ৰসন্ন মনত ভগৱন্তক দেখে। তবে অহঙ্কাৰ গুচে, অসম্ভাৱনা নাশ হয়, পাছে জীৱ মুক্ত হয়। এতেকে বিৱেকীসকলে পৰম আনন্দে বাসুদেৱ ভগৱন্তত নিতান্তে ভক্তি কৰন্ত, ৰাজসিক-তামসিক ব্ৰহ্মা-মহেশক নভজন্ত, যাতো সত্ত্বমূৰ্ত্তি বাসুদেৱতেসে মোক্ষ, আনত নহে। পূৰ্ব্বতো মুনিসৱে বাসুদেৱক মাত্ৰ ভজিছন্ত; তাৰাকে যি অনুৱৰ্ত্তে, তাৰাৰো কুশল হয়। এতেকে মুমুক্ষুসৱে ঘোৰৰূপ দেৱতাক এৰি হৰিৰ শান্ত-মূৰ্ত্তি অৱতাৰক মাত্ৰ ভজন্ত, আনো দেৱতাকো নিন্দা নকৰন্ত।

ৰাজসিক-তামসিকজনেসে ধন-সম্পত্তিক আশে, পুত্ৰৰ আশে নানা দেৱতাক ভজে। মোক্ষদাতা পদে বাসুদেৱ ভজনী কহিলো। আৰো বেদাদি শাস্ত্ৰগণে বাসুদেৱক মাত্ৰ কহে। এতেকে বাসুদেৱেসে মাত্ৰ ভজনী, আন নহে।" সৃষ্টি আদি প্ৰশ্নৰ উত্তৰ কহন্ত, "বাসুদেৱ আপুনাৰ মায়ায়ে সকল জগত স্ৰজিছা ; তাত প্ৰৱেশ হুয়া নানাৰূপে প্ৰকাশ কৰা, যেন একে অগ্নি নানা কাষ্ঠত নানাৰূপে প্ৰকাশ কৰন্ত, নানা দেহত জীৱক নানা ভোগ ভুঞ্জান্ত। কৃষ্ণে নানা অৱতাৰ ধৰি নানা ক্ৰীড়া কৰি লোকক পালন্ত। আতে দুই প্ৰশ্নৰ উত্তৰ বুঝিবা॥"

॥ শ্ৰীভাগৱতকথায়াং কৱিৰত্নকৃতায়াং প্ৰথমস্কন্ধে দ্বিতীয়োঽধ্যায়ঃ॥

॥ হে কৃষ্ণ নন্দনন্দন পৰমানন্দ, দ্বিতীয় অধ্যায়ত চাৰি প্ৰশ্নৰ সিদ্ধান্ত ৰাজাত কহিল, হেন ঈশ্বৰত মঞি শৰণ পশিলো। সামাজিকলোক বোল জয় ৰাম মাধৱ॥

॥ শ্লোক ॥ চতুঃপ্ৰশ্নাৰ্থসিদ্ধান্তদ্বিতীয়াধ্যায়ৱৰ্ণনৈঃ।
শ্ৰীকৃষ্ণং শৰণং যামি নন্দনন্দনমচ্যুতম্॥ ২॥

॥ তৃতীয় অধ্যায় ॥

॥ বাইশ অৱতাৰ-কথনেৰে ভাগৱত-ব্যাখ্যা॥

তৃতীয় অধ্যায়ে সূতে বাইশ অৱতাৰ কহন্ত, "ভগৱন্তে প্ৰথমে পুৰুষ অৱতাৰ হৈল, যি পুৰুষত তিনি লোক প্ৰকাশে। বুলিবা, কোন ভগৱন্ত ? তাক কহো, যাক জলশায়ী নাৰায়ণ বুলি, যাৰ নাভিকমলত ব্ৰহ্মা উপজিলা, তেহে সৰ্ব্ব অৱতাৰৰ কাৰণ। সেই নাৰায়ণে প্ৰথমে কুমাৰ অৱতাৰ হয়া অখণ্ড ব্ৰহ্মচৰ্য্য কৰিলা। দ্বিতীয়ে বৰাহৰূপে পৃথিৱী উদ্ধাৰিলা। তৃতীয়ে নাৰদৰূপে সাত্বত-তন্ত্ৰ কৰিলা। চতুৰ্থে

নৰ-নাৰায়ণ-ৰূপী হয়া দুশ্চৰ তপ আৰম্ভিলা। পঞ্চমে কপিল অৱতাৰে সাংখ্য কহিলা। ষষ্ঠ অৱতাৰে দত্তাত্রেয় হয়া প্ৰহ্লাদাদিক আত্মজ্ঞান দিলা। সপ্তমে যজ্ঞ অৱতাৰে আপুনি ইন্দ্ৰ হুয়া স্বায়ম্ভুৱ মন্বন্তৰ পালিলা। অষ্টমে ঋষভ অৱতাৰ হয়া ধীৰৰ পন্থ দেখাইলা। নৱমে পৃথু অৱতাৰ হয়া পৃথিৱীক দুহিলা। দশমে মৎস্য অৱতাৰ হয়া প্ৰলয়-জলত সত্যব্ৰতক তাৰিলা। একাদশে কূৰ্ম্ম অৱতাৰে মন্দৰ ধৰিলা। দ্বাদশত ধন্বন্তৰি অৱতাৰে অমৃত-ঘট আনিলা। ত্ৰয়োদশে মোহিনীৰূপে দৈত্যক মোহি দেৱক অমৃত পান কৰাইলা। চতুৰ্দ্দশে নৰসিংহ অৱতাৰে হিৰণ্যকশিপুক বধিলা। পঞ্চদশে বামন অৱতাৰে তিনি পদ ছলে বলিৰ ত্ৰৈলোক্য হৰিলা। ষোড়শ অৱতাৰে পৰ্শুৰাম ৰূপে পৃথিৱী নিক্ষেত্ৰিয় কৰিলা। সপ্তদশে ব্যাস অৱতাৰে বেদ-তৰু শাখা ভেদ কৰিলা। অষ্টাদশে শ্ৰীৰাম-ৰূপে সেতু-বন্ধনাদি কৰ্ম্ম কৰিলা। ঊনবিংশ অৱতাৰে বলভদ্ৰ-ৰূপে প্ৰলম্বাদি বধিলা। বিংশে শ্ৰীকৃষ্ণ অৱতাৰে ভূভাৰ হৰিলা। পাছে কলিযুগে বুদ্ধ অৱতাৰে পাষণ্ডবাদে অসুৰ মুহিলা। কলিৰ অন্তত কল্কি অৱতাৰে পাষণ্ড দণ্ডিবা। এহিমতে হৰিৰ অনেক অৱতাৰ বুঝিবা। ঋষি, মনু, মনুপুত্ৰ, দেৱ, প্ৰজাপতি, সৱাকো হৰিৰ বিভূতি জানিবা। আত বিশেষ কহো। অৱতাৰসৱ নাৰায়ণৰ কতো অংশ, কতো কলা; কৃষ্ণ পুনু পৰিপূৰ্ণ ভগৱন্ত আপুনি নাৰায়ণে হয়াছা। এহি অৱতাৰ-কথা প্ৰভাতে, সায়াহ্নে যি ভক্তিপূৰ্ব্বক কীৰ্ত্তন কৰে, সি জ্ঞান পায়া অনায়াসে দুঃখ-সংসাৰ তৰে। এহিমতে অজনৰ জন্ম, অকৰ্ত্তাৰ কৰ্ম্ম আদি নাৰদাদিও গাৱে। বুলিবা, ঈশ্বৰৰ নানা কৰ্ম্মত কি প্ৰয়োজন ? আৰ উত্তৰ শুনা। নিপুণবুদ্ধিও অনেক শাস্ত্ৰ জানি ঈশ্বৰৰ লীলা নজানে। ভকতে কদাচিত জানে, যদি শুদ্ধভাৱে তান কথা শ্ৰৱণ-কীৰ্ত্তন কৰে। এতেকে তোৰা কৃতাৰ্থ হৈলা; যাতো ভকতি-পথত প্ৰৱৰ্ত্তিলা, যি পথত প্ৰৱৰ্ত্তিলে পুনু সংহাৰ নহে।”

শৌনকাদি পুছন্ত, “হে সূত অপূৰ্ব্ব কথা কহিলা।”

সূতে বোলন্ত, "ই ভাগৱত-শাস্ত্ৰত হৰিনাম-প্ৰধান, চাৰি বেদ-তুল্য কৃষ্ণচৰিত লোকৰ কুশলৰ অৰ্থে ব্যাস ঋষি কহিছা, যাক কামনা কৰি শ্ৰৱণ কৰিলে ধন-ধান্য হয়, পুত্ৰ-কলত্ৰ বাঢ়ে, সকল আপদ গুচে, নিষ্কাম জনৰ মহাফল ভক্তি হয়, আৰো অযত্নে মুক্ত হয়। সৰ্ব্বশাস্ত্ৰ-সাৰ ভাগৱত কৰিয়া ব্যাসে পৰম জ্ঞানী শুকক পঢ়াইলা। শুকে পৰীক্ষিতক শুনাইলা মৰণ সময়ে বৈৰাগ্য-মনে ঋষিগণ সমে গঙ্গাতীৰত বসি থাকন্তে। কৃষ্ণ বৈকুণ্ঠক গৈলে ধৰ্ম্ম-জ্ঞান-বৈৰাগ্য লগতে গৈল। ধৰ্ম্মাদি-প্ৰকাশ বিনে কলিৰ লোকসৱ অন্ধ ভৈল। আৰে পুৰাণৰ সূৰ্য্য শ্ৰীভাগৱত উদিত ভৈলা। যাৰ প্ৰকাশে সকল লোক সংসাৰ তৰে, সেই ভাগৱত শুক মুনি কহন্তে মঞি শুনিলো; তাহান প্ৰসাদে ভাগৱত জানিলো। তাক সংক্ষেপে কহিছা, আৰে বিস্তাৰ কৰি কহিবো যদি সাদৰে শুনা।"

॥ শ্ৰীভাগৱতকথায়াং কৱিৰত্নকৃতায়াং প্ৰথমস্কন্ধে তৃতীয়োঽধ্যায়ঃ ॥

হে ভগৱন্ত দামোদৰ, তোমাক প্ৰণাম কৰো, যেমতে সাধু-সঙ্গত তোমাৰ কথা কহিবা পাৰো, তেমনে কৃপা কৰা। সামাজিকসৱ ডাকি হৰি বোল হৰি ॥

॥ শ্লোক ॥ দ্বাৱিংশত্যৱতাৰোক্ত্যা তৃতীয়াধ্যায়ৱৰ্ণনৈঃ।
শ্ৰীমদ্ভাগৱতৱ্যাখ্যাং কৰ্তুং যাচে সতাং কুলে ॥ ৩ ॥

॥ চতুৰ্থ অধ্যায় ॥

॥ ব্যাসৰ অপৰিতোষ ॥

চতুৰ্থ অধ্যায়ে ব্যাসৰ অপৰিতোষ কহিবা।

মুনিগণ মধ্যে মুখ্য শৌনকে পুছন্ত, "হে সূত, তুমি মহা ভাগ্যৱন্ত। আমাত ভাগৱত কথা কহা, শুক মুনি যাক কহিছা। কোন যুগত, কোন স্থানত, কিবা কাৰণে, কোনেবা পুছিলে, ব্যাসে ভাগৱত কহিলা, আকো কহা। আৰো বুলিছা, শুকে ভাগৱত কহিলা। তাহান কথা-কহন কেমনে ঘটে? যাতো মহাযোগী সমদৰ্শী মূঢ় যেন ফুৰন্ত, যাক দেখি স্ত্ৰীগণো বস্ত্ৰ নসম্বৰে, এমন জনক লোকে কেমনে মহামুনি বুলি জানিলেক? ৰাজা পৰীক্ষিতেও কেমন কথা পুছিলা, শুকেয়ো কেমনে কহিলা? যাতো, গো-দোহনৰ কাল মাত্ৰ গৃহস্থৰ ঘৰত থাকন্ত; হেন মুনি কেমনে বহু দিন ৰহি ভাগৱত কহিলন্ত? পৰীক্ষিতৰো চৰিত্ৰ পৰম পৱিত্ৰ, তাকো কহা। কেনে চক্ৰৱৰ্ত্তী-ৰাজসম্পত্তি এৰি তৰুণ কালত মৰিবাক লাগি গঙ্গা-তীৰক গৈলা? যাতো বিষ্ণু ভক্ত-সৱ লোকৰ কুশলাৰ্থে প্ৰাণ ধৰন্ত, এতেকে লোকৰ উপকাৰী শৰীৰ কেনে তেজিলা, ইকথা আমাত বুঝাই কহা, যাতো তুমি সকল শাস্ত্ৰ জানা।"

সূতে কহন্ত, "দ্বাপৰ যুগৰ অন্তত পৰাশৰত হন্তে সত্যৱতী কন্যাত হৰিৰ কলা পৰম জ্ঞানী ব্যাস অৱতাৰ হৈলা। সেই ব্যাস ঋষি একদিনা সৰস্বতীৰ জলত স্নান কৰি বদৰিকাশ্ৰমত বসি মনত গুণন্ত, 'কলিযুগত ধৰ্ম্ম ছন্ন হৈবেক, লোকৰ বল-শক্তি টুটিবেক, দুৰ্ব্বুদ্ধি, অশ্ৰদ্ধা ভাগ্যহীন হৈবেক; আক দিব্য চক্ষুৰে আপুনি দেখো। লোকৰ কুশলাৰ্থে একে বেদক চাৰি ভাগ কৰিলা,—ঋক, যজু, সাম, অথৰ্ব্ব। পৈলক ঋগ্বেদ, জয়মুনিক সামবেদ, বৈশম্পায়নক যজুৰ্বেদ, সুমন্তক

অথৰ্ব্ববেদ পঢ়াইলা ; ভাৰত-পুৰাণ কৰি মোৰ পিতৃ ৰোমহৰ্ষণক পঢ়াইলা। এমনেও কায়মনোবাক্যে লোকৰ হিত চিন্তিতেও আপুনাৰ মন প্ৰসন্ন নভৈল। পাছে আপুনে গুণন্ত, 'মই ব্ৰহ্মচৰ্য্য ব্ৰত ধৰিছো, বেদ পঢ়িলো, গুৰু-অগ্নিক শুশ্ৰূষা কৰিলো, ভাৰত-পুৰাণ শাস্ত্ৰ কৰি নানাবিধ ধৰ্ম্ম প্ৰপঞ্চিলো। তথাপি মন কেনে প্ৰসন্ন নহে ? কিবা ভাগৱত ধৰ্ম্ম প্ৰধান কৰি নকহিলো, যি ধৰ্ম্মে বিষ্ণু-বৈষ্ণৱৰ প্ৰীতি কৰে।' ইমতে আপুনাৰ প্ৰতি খেদ কৰিতে হৰি-গুণ গায়া বীণা বজায়া শ্ৰীনাৰদ আসিলা। নাৰদক দেখি ব্যাসে তেখনে উঠি নমস্কাৰ কৰি পূজা কৰিলা॥"

॥ শ্ৰীভাগৱতকথায়াং কৰিৰত্নকৃতায়াং প্ৰথমস্কন্ধে চতুৰ্থোঽধ্যায়ঃ ॥

॥ হে সভাসদসব, দেখ ব্যাস ঋষি বেদ-পুৰাণ বিভাগিও হৰি-কথা বিনে চিত্তৰ শান্তি নপাইলা। আক জানি কৃষ্ণত চিত্ত দিয়া সদায়ে ডাকি বোলা জয় ৰাম ॥

॥ শ্লোক ॥ ব্যাসস্তাপৰিতোষেণ চতুৰ্থাধ্যায়ৱৰ্ণনৈঃ।
হৰিকীৰ্তিং ৱিনা চিত্তশান্তিৰ্নাস্তীতি দৰ্শিতম্ ॥ ৪ ॥

॥ পঞ্চম অধ্যায় ॥

॥ সকল ধৰ্ম্মত কৰি হৰিকীৰ্ত্তনৰ শ্ৰেষ্ঠত্ব ॥

পঞ্চম অধ্যায়ে সকল ধৰ্ম্মত কৰি হৰি-কীৰ্ত্তন শ্ৰেষ্ঠ কহিবা।

পাছে নাৰদ মহা সুখে বসি ব্যাসক বোলন্ত, "হে পৰাশৰ-পুত্ৰ মহাভাগ্যৱন্ত, তোমাৰ মন প্ৰসন্ন হয় নয়, যাতো তুমি সৰ্ব্বধৰ্ম্মবিদ, ব্ৰহ্মকো বিচাৰ কৰিছা, সমাধিত ব্ৰহ্ম ব্যক্ত হোন্ত ; তথাপি আপুনাক প্ৰতি কেনে খেদ কৰা ?" ব্যাসে বোলন্ত, "তুমি যে বুলিলা, সৱে মোত আছে : তথাপি মন সন্তোষ নোহে ; ইহাৰ কাৰণ নজানো। এতেকে

তুমাত পুছো। তুমি ব্ৰহ্মাৰ পুত্ৰ, পৰম বৈষ্ণৱ, সৰ্ব্বজ্ঞ ; তিনিও লোকৰ মনক জানা। মই মন সন্তোষ যি কাৰ্য্যে নকৰিছো, তাক কহা।”

নাৰদে বোলন্ত, “তুমি ভগৱন্তৰ নিৰ্ম্মল যশস্যা বাহুল্য কৰি নকহিলা। ভগৱন্তৰ যশ বিনে যি ধৰ্ম্মাদি কহিলেও মন সন্তোষ নহে, তাক ব্যৰ্থ বুলি। বুলিবা, ভগৱন্তৰ যশ সেই সেই শাস্ত্ৰে ঠাই ঠাই কহিছো। তাত শুনা, যেমন ধৰ্ম্ম অৰ্থ কাম মোক্ষ, তাৰ সাধনকো কহিছা, তেমনে হৰি-গুণ নকহিলা। জগত-পাৱন হৰি-গুণ বিনে বিচিত্ৰ বাক্য কাক-তুল্য, কামুক জনৰেসে প্ৰিয়, জ্ঞানীগণৰ প্ৰিয় নহে। যেন ৰাজহংসসৰ মানস-সৰোবৰত চৰে, পদ্ম-সমুদ্ৰত নিৱাস কৰে, বিচিত্ৰ অন্নযুক্ত কাকৰ ক্ৰীড়া-স্থান উৎশিষ্ট গৰ্ত্তত নৰমে। সামান্য বচনো হৰিগুণ-যুক্ত হৈলে পৰম পৱিত্ৰ হয়, সৰ্ব্বলোকৰ সৰ্ব্বপাপ হৰে, যাক মহন্তসৰে বক্তা পাইলে শুনে, শ্ৰোতা পাইলে কহে, কতো বেলা আপুনি গ্ৰহণ কৰে। হৰিভক্তি বিনে নিৰঞ্জন-জ্ঞানো কেৱলে শ্ৰম। ঈশ্বৰত নৰ্পিলে নিষ্কাম কৰ্ম্মো শোভা নকৰে। যাতো হৰিভক্তি বিনে জ্ঞান কৰ্ম্ম বাক্যে চাতুৰী কেৱলে ব্যৰ্থ, এতেকে সকল লোকৰে মোক্ষৰ কাৰণে হৰিচৰিত্ৰ বৰ্ণাৱা। হৰিগুণ নকহিলে কদাচিতো মন থিৰ নুহিবেক। আৰো তুমি বৰ অন্যায় কৰিলা, যাতো সকাম কৰ্ম্ম কহিলা, যি কৰ্ম্মে লোক সংসাৰী হয়। ইদানীক কাম্য কৰ্ম্ম এৰি হৰিৰ লীলা কহা। সৰ্ব্ব কৰ্ম্ম এৰি ঈশ্বৰ-অনুভৱত হৰিৰ গুণ-কথনত যি সুখ আছে, তাক বিচক্ষণসৰেসে জানে, আনে নজানে। এতেকে সংসাৰী জীৱৰ অৰ্থে হৰিৰ গুণ কহা। স্বধৰ্ম্মকো এৰি হৰিক ভজিলে কৃতাৰ্থ হয়। অল্পভক্তিৰো বাসনা ৰহে ; এতেকে যি নিপুণ হয়, সি পুনু হৰি ভজিতে যত্ন কৰোক, সুখৰ অৰ্থে যত্ন নকৰোক। যেমনে দুঃখ নুখুজিলেও পাই, তেমনে সুখ খোজন্তে মিলে। এতেকে মহা গুণৱন্ত তুমি জগতৰ মুক্তিৰ অৰ্থে ভগৱন্তৰ লীলা কহা। বুলিবা, কোন ভগৱন্ত, কিবা তাৰ লীলা ? তাক কহো শুনা। ভগৱন্ত জগত-কাৰণ ; সৃষ্টি-স্থিতি-লয় তাহান লীলা, আক আপুনিও

জানা ; তথাপি সংক্ষেপে কহিলো, যাতো গুৰুৰ উপদেশ পাইলেসে ভগৱন্তক জানে। বিশেষত তুমি হৰিৰ কলা-অৱতাৰ। এতেকে সকল লোকৰ কুশলৰ অৰ্থে হৰিৰ লীলা প্ৰধান কৰি কহা। তেৱেঁসে তোমাৰ তপ সফল হয়। সন্ত-সঙ্গ লৈলেসে হৰি-কথা শ্ৰৱণ-কীৰ্ত্তন-ফল হৱে। আবে মোৰ বৃত্তান্ত শুনা। পূৰ্ব্ব কল্পত সিজন্মত মই ব্ৰাহ্মণৰ দাসীৰ পুত্ৰ আছিলো। তাঠেৰ গৃহত বাৰিষা বঞ্চিতে চাৰি মহন্ত ৰহিলা। তাৰাক শুশ্ৰূষা কৰিতে ব্ৰাহ্মণে মোক নিযোজিলা। মঞিও কায়-বাক্য-মনে তাৰাক শুশ্ৰূষা কৰিলো। তাৰায়ো কৃপায়ে অৱশেষ অন্ন দিলা। তাক খায়া নিষ্পাপ হৈলো। পাচে চিত্তশুদ্ধ হৈলে হৰি ভজিবাক ৰুচি ভৈল ; পৰম শ্ৰদ্ধায়ে তাৰাৰ মুখে মনোহৰ কৃষ্ণ-কথা শুনিলো। পাচে মোৰ হৰিত অখণ্ডিত মতি ভৈলা, যি মতিয়ে দেহাত্মা-বিৱেক ভৈল। পাচে সাধুসৱ চলিবাৰ সময়ে মোত কৃপায়ে পৰম গুহ্য ঈশ্বৰ-জ্ঞান-উপদেশ দিলন্ত, যি জ্ঞানে ভগৱন্তৰ মায়া-বৈভৱক জানি, যাক জানি তাহান স্বৰূপ পাই। জ্ঞানৰ সাধন ঈশ্বৰাৰ্পিত কৰ্ম্মকো কহিলন্ত। এহুমতে উপদেশ পাই হৰি-ভক্তি কৰিতে মোক ঈশ্বৰ-জ্ঞান, ঐশ্বৰ্য্য, ভক্তি দিলন্ত। তুমিও হৰি-ভক্তি বৰ্ণাৱা ; তেৱে মন প্ৰসন্ন হইবেক, যাতো সংসাৰৰ দুঃখ পীড়িতজনৰ আনমতে দুঃখ-শান্তি নাই॥”

॥ শ্ৰীভাগৱতকথায়াং প্ৰথমস্কন্ধে পঞ্চমোঽধ্যায়ঃ॥

॥ হে সামাজিক লোক, নাৰদী ভক্তিৰ ক্ৰম শুনা। প্ৰথমে মহন্তৰ সেৱা, পাছত কৃপা, পাছে হৰি-ভজন, ধৰ্ম্মত শ্ৰদ্ধা, পাছে হৰিকথা-শ্ৰৱণ, পাছে ভগৱন্তত ৰতি, পাছে দেহাত্ম-বিৱেক ; পাছে দৃঢ়া ভক্তি ; পাছে ঈশ্বৰ-তত্ত্বজ্ঞানাদি ; পাছে হৰিৰ কৃপা হৱে, সৰ্ব্বজ্ঞাদি গুণ হয়। তাক জানি প্ৰথমে মহন্তৰ সেৱা কৰা। ইদানীক সাধু-সঙ্গে জানি ডাকি বোলা জয় ৰাম॥

॥ শ্লোক ॥ কথিতং পঞ্চমাধ্যায়ে হৰিকীৰ্তনমুত্তমম্।
তমহং শৰণং যাচে শ্ৰীকৃষ্ণং সৰ্ব্বসিদ্ধিদম্॥ ৫ ॥

॥ ষষ্ঠ অধ্যায় ॥

॥ নাৰদৰ পূৰ্ব্বজন্মৰ ভাগ্য-কথন ॥

ষষ্ঠ অধ্যায়ে নাৰদে আপুনাৰ পূৰ্ব্ব জন্মৰ ভাগ্য কহিবা।

ব্যাসে পুছন্ত, "হে নাৰদ, জ্ঞানদাতা সন্তসকল গৈলে তুমি কি কৰ্ম্ম কৰিলা? কেমনে বঞ্চিলা? কেমনে সি দেহ এৰিলা? পূৰ্ব্ব কল্পৰ ইকথাক কেমন কালে নাশ নকৰিল, আক মোক বুঝাই কহা।"

নাৰদে কহন্ত, "সাধুসৱ এৰি গৈলে পাঞ্চ বৎসৰৰ অবোধ মই বালক মাতৃৰ স্নেহত থাকি তৈতে কতো কাল বঞ্চিলো। একদিনা ৰাত্ৰি গাই দুহিবাক যাইতে মাতৃক সৰ্পে দংশিলে, মৰিলন্ত। মঞি হৰিৰ অনুগ্ৰহ মানি উত্তৰ দিশক গৈলো। নানা দেশ, নগৰ, গ্ৰামে পৰ্ব্বত, নদী, নদ এৰাই, ঘোৰ অৰণ্য এৰাই পাছে মহাশ্ৰান্ত, ক্ষুধায়ে তৃষায়ে আকুল হৈয়া নদীত স্নান-পান কৰি কিছো সুস্থ ভৈলো। সেই নিৰঞ্জন স্থানত অশ্বত্থ-মূলত বসি হৰিক চিন্তিলো। ভক্তি-আসক্ত চিত্তে হৰিক চিন্তিতে প্ৰেম-পুলক নেত্ৰৰ লোতক ঝৰিল। তেখনে হৰিক হৃদয়ত দেখিলো। মঞি হৰিক দেখি আনন্দ-সাগৰে মগ্ন হৈলো। অনন্তৰে নেদেখি মহা আকুল হৈলো। পুনৰপি পৰম যত্নে মন থিৰ কৰিও নেদেখি আতি আকুল হৈলো। পাছে ভগৱন্তে গম্ভীৰ বচনে মোক পৰম কৃপায়ে বুলিলা, 'হে বালক, আৰ ইজন্মত মোক দেখিতে নপাস, যাতো কুযোগীজনৰ মঞি দুৰ্দ্দৰ্শ। মোত প্ৰীতিৰ অৰ্থে একবাৰ দেখা দিলো, যাতো মোত প্ৰীতি হৈলে পুৰুষ-সকলে কামনা এৰে। অল্পকালে সাধুসেৱায়ে মোত দৃঢ়মতি হৈলে এতেকে ইদেহ এৰি মোৰ পাৰিষদ হুইবি। লোক-সৃষ্টি-প্ৰলয়তো মোত তোৰ মতি নুগুচিব।' এহি বাক্য শুনি মই ঈশ্বৰক নমস্কাৰ কৰিলো। ইদানীক নাম লৈয়া ফুৰো। তান কৃপায় পাছে লজ্জা এৰি নাম-কীৰ্ত্তন কৰিলো, লীলাকো স্মৰিলো, পাছে মদ-মৎসৰ এৰি

পৃথিৱীত ফুৰিলো। পাছে কালবশে ভৌতিক দেহা এৰিলো, শুদ্ধ পাৰিষদী তনু পাইলো। সেই সময়ত প্ৰলয় ভৈল। ঈশ্বৰ-ইছায়ে মঞি ব্ৰহ্মাৰ উদৰত পশিলো। সহস্ৰ যুগৰ অন্তত ব্ৰহ্মা উঠি জগত স্ৰজন্তে মঞি ব্ৰহ্মাৰ কোলাত ব্যক্ত হৈলো। হৰিৰ কৃপায়ে অবাধিত গতি পায়া তিনিলোক পৰ্য্যটো। ঈশ্বৰে এই বীণা দিলা; তাত হৰিগুণ গাই লোকৰ কুশলৰ অৰ্থে ফুৰো। গুণ গাইতে হৰিক হৃদয়ত দেখা পাইলো। বিষয়ী লোকৰ সংসাৰ-সাগৰ-তৰণ-উপায় কেৱলে হৰিৰ নাম-কীৰ্ত্তন। হৰি-নাম-কীৰ্ত্তনে যেমনে চিত্ত শুদ্ধ হয় অষ্টাঙ্গ যোগেও তেমনে শুদ্ধ নহে। এতেকে তুমি কেৱল হৰিগুণ বৰ্ণাৱা। মোৰ জন্ম-কৰ্ম্ম পৰম ৰহস্য; তোমাৰ মন-সন্তোষৰ নিমিত্তে কহিলো। এই বুলি নাৰদ হৰি-গুণ গায়া বীণা ৰজায়া চলি গৈলা।”

সূতে বোলন্ত, অহো দেৱঋষি নাৰদ ধন্য, যাতো হৰিগুণ গাই আপুনি আনন্দিত হোৱন্ত, আনকো আনন্দ কৰাৱন্ত॥

॥ শ্ৰীভাগৱতকথায়াং কৱিৰত্নকৃতায়াং প্ৰথমস্কন্ধে ষষ্ঠোঽধ্যায়ঃ॥

॥ হে লোকসৱ দেখ, ষষ্ঠ অধ্যায়ত যে কহিলা—সন্তৰ সঙ্গে ভগৱন্তক পাই। আক জানি সন্তৰ সঙ্গ লৈয়া নিৰন্তৰে হৰি বোল হৰি॥

॥ শ্লোক॥ দেৱৰ্ষেৰ্জন্মকৰ্ম্মোক্ত্যা ষষ্ঠাধ্যায়ে নিৰূপিতম্।
ৱিষ্ণুভক্তপ্ৰসঙ্গেন তৎপদপ্ৰাপ্তিকাৰণম্॥ ৬॥

॥ সপ্তম অধ্যায় ॥

॥ সুপ্ত বালকবধী দ্রোণিৰ দণ্ড ॥

সপ্তম অধ্যায়ে সুপ্ত বালকবধী দ্রোণিৰ দণ্ড কহিবা।

শৌনকে পুছন্ত, "হে সূত, নাৰদৰ অভিমত ব্যাসে জানি পাছে কি কৰ্ম্ম কৰিলা ?"

সূতে কহন্ত, "সৰস্বতী-তীৰত বদৰিকাশ্ৰমত ব্যাস ঋষি একাগ্ৰ মনে কৃষ্ণক চিন্তিতে নিৰ্ম্মল মনত পৰিপূৰ্ণ ঈশ্বৰক দেখিলা, তান অধীন মায়াকো দেখিলা, যি মায়ায়ে সম্মোহিত হয়া জীৱে সংসাৰক পাৰে ; সংসাৰ-নাশিনী ভক্তিকো দেখিলা। আক আপুনি জানি অজ্ঞানী লোকৰ অৰ্থে ভাগৱত শাস্ত্ৰ কৰিলা, যাৰ শ্ৰৱণ-ইচ্ছাতে কৃষ্ণত ভক্তি হয়, শুনিলে হৈবেক তাক কি বুলিবো, যি ভক্তি শোক মোহ ভয় বিনাশে। পাছে শাস্ত্ৰ শুদ্ধ কৰি নিবৃত্তচিত্ত শুকক পঢ়াইলা।"

শৌনকে পুছন্ত, "হে সুত, শুক মুনি পৰম বিৰক্ত, আত্মাৰাম হয়া কেনে ভাগৱত পঢ়িলা ?"

সূতে কহন্ত, "আত্মাৰাম মুনিসৱো হৰি-ভক্তি কৰন্ত, যাতো হৰিৰ গুণে মুক্তৰো মন আকৰ্ষে। এতেকে শুকে সাধুসঙ্গ-অৰ্থে মহাভাগৱত পঢ়িলা। আবে পৰীক্ষিতৰ জন্ম কৰ্ম্ম মুক্তি শুনা। পাণ্ডৱসৱৰো নিৰ্য্যাণ কহো।

"কৌৰৱ-পাণ্ডৱ-যুদ্ধত অঠৰ অক্ষৌহিণী সেনা মৰিল। বীৰসৱো সমুখ যুদ্ধত পৰি গতি পাইলা। যেৱে ভীমৰ গদা প্ৰহাৰে দুৰ্য্যোধন ৰাজাৰ উৰুভঙ্গ হৈল, তেতিয়া দ্ৰোণি তাৰ প্ৰিয় কৰিতে দ্ৰৌপদীৰ পাঞ্চ পুত্ৰ নিদ্ৰাতে কাটি আনিলা। তাক দেখি দুৰ্য্যোধনে বংশছেদ দেখি মৰিল। পুত্ৰনাশ দেখি দ্ৰৌপদীও বিলাপ কৰিলা। অৰ্জ্জুনে তাঙ্ক সান্ত্বনা কৰি কৃষ্ণক সাৰথি লৈয়া কৱচ পিন্ধি গাণ্ডীৱ ধনু ধৰি ৰথত চঢ়ি দ্ৰোণিক খেদি গৈলা। দ্ৰোণিও অৰ্জ্জুনক দেখি মহাভয়ে

ৰথত চড়িয়া পলাইলা। ঘোড়া শ্ৰান্ত ভৈল; পলাইতে নপাৰি ব্ৰহ্মাস্ত্ৰ মাৰিলা। অস্ত্ৰৰ তেজ দেখি অৰ্জ্জুনে কৃষ্ণক বোলন্ত, "হে কৃষ্ণ, মহাবাহু, ভক্তভয়হাৰী, পুৰুষৰ পুৰুষাৰ্থ-দাতা পৰমেশ্বৰ, ই অৱতাৰে ভূভাৰ হৰিতে একান্ত ভক্তৰো শৰণৰ অৰ্থে হুয়াছা। ই দাৰুণ তেজ কৈৰপৰা আসে, আক কহ।' ভগৱন্তে বোলন্ত, 'হে সখি, ই দ্ৰৌণিৰ ব্ৰহ্মাস্ত্ৰ; আক আন অস্ত্ৰে কিছো কৰিতে নপাৰে। এতেকে ব্ৰহ্মাস্ত্ৰক ব্ৰহ্ম-সায়কে সংহাৰা।' "

সূতে বোলন্ত, "অৰ্জ্জুনে এহি বাক্য শুনি প্ৰদক্ষিণে কৃষ্ণক নমি ব্ৰহ্মাস্ত্ৰ সংহৰিতে ব্ৰহ্মাস্ত্ৰ মাৰিলা। দুই অস্ত্ৰ এক স্থান হয়া জগত দহিবাৰ দেখি সকল লোকে প্ৰলয় হৈল বুলি মানিলা। অৰ্জ্জুনে লোকৰ দুঃখ দেখি কৃষ্ণৰ মত বুঝি দুয়ো অস্ত্ৰ সংহৰিলা। পাছে দ্ৰৌণিক বান্ধিয়া ৰথত তুলিয়া ৰাজাৰ আগক আনিতে কৃষ্ণে ক্ৰোধ কৰি বোলন্ত, 'হে পাৰ্থ, ই দুষ্ট ব্ৰাহ্মণক ৰাখিতে নলাগে, যিটো বিনা অপৰাধে ৰাত্ৰি সুপ্ত ছৱালক বধিছে, যাতো ধৰ্ম্মজ্ঞসৱে শত্ৰু শ্ৰীবালকক সুপ্ত হলে নবধে। পৰক মাৰি যিটো আপুনি বৰ্ত্তে, তাৰ মৰণেসে ভাল। আৰো তুমি আমাৰ আগত দ্ৰৌপদীক শুনাই অঙ্গীকাৰ কৰিছা, তোমাৰ পুত্ৰবধী ব্ৰাহ্মণৰ শিৰ দিবো বুলি। এতেকে পাপী ব্ৰাহ্মণক সত্বৰে কাটা।' "

সূতে বোলন্ত, "এমনে ধৰ্ম্ম পৰীক্ষা কৰি কৃষ্ণে বুলিলেও অৰ্জ্জুনৰ গুৰুপুত্ৰ বধিতে ইছা নহৈল। পাছে ৰাজগৃহ পায়া দ্ৰৌপদীৰ আগত ব্ৰাহ্মণক থৈলা। দ্ৰৌপদী গুৰুৰ পুত্ৰক দেখি নমিল। অৰ্জ্জুনক বোলন্ত, 'সত্বৰে বান্ধ মেলা। ব্ৰাহ্মণ-সুতসে আমাৰ গুৰু, বিশেষত ধনুৰ্ব্বেদ পঢ়িছা; সেই দ্ৰোণ-পুত্ৰ গুৰুৰূপে আছা। তান অৰ্দ্ধ শৰীৰ ভাৰ্য্যাও আছন্ত। আক জানি গুৰুপুত্ৰক দুঃখ নেদা। ইহান বধে পতিব্ৰতা গৌতমী বিলাপ কৰিবন্ত; তান কোপে সবংশে নষ্ট হুইবা। এতেকে সত্বৰে মেলা।' "

সূতে বোলন্ত, "দ্ৰৌপদীৰ বাক্যক যুধিষ্ঠিৰ নকুল সহদেৱ কৃষ্ণে

প্ৰশংসিলা। তাত ক্ৰোধ কৰি ভীমে বোলন্ত, 'ই দুষ্ট ব্ৰাহ্মণৰ বধেসে ভাল, যাতো অকাৰণে সুপ্ত বালক বধিলে।' এহি বুলি ভীমে বধিতে উদ্যত হৈল। দ্ৰৌপদী ৰাখিতে লাগিলা। দুইকো নিবাৰি ভগৱন্ত চতুৰ্ভুজ হয়া সখিৰ মুখ চাই বোলন্ত, 'হে সখি, মঞি বেদ-মুখে দুয়ো কথা কহিছো,—ব্ৰাহ্মণক কদাচিতো নবধি; আততায়ী হৈলে বধি। দুয়ো বাক্য ৰাখা; তোমাৰ অঙ্গীকাৰ সফল কৰা; দ্ৰৌপদী-ভীমৰো প্ৰিয় কৰা।' "

সূতে বোলন্ত, "অৰ্জ্জুনে তেখনে কৃষ্ণ-মত বুঝি চূড়ামণি সহিতে কেশক কাটি বান্ধ মেলি ঢঙ্কাই খেদাইলা। পাছে মহা-শোকাতুৰ হৈয়া পাণ্ডৱসৱো কৃষ্ণ সহিতে মৃতকৰ দাহাদি কৰ্ম্ম কৰিলা॥"

॥ শ্ৰীভাগৱতকথায়াং প্ৰথমস্কন্ধে সপ্তমোঽধ্যায়ঃ ॥

॥ হে সামাজিকসৱ দেখ, শুকাদি মুনিসৱো মুক্ত হুয়ো কৃষ্ণ-কথাত ৰতি কৰে। এতেকে জানিবা, কৃষ্ণ-কথা মোক্ষতো অধিক। আক জানি সদায় কৃষ্ণ-কথাত প্ৰীতি কৰি বোলা জয় ৰাম॥

॥ শ্লোক ॥ নিঃশ্ৰেয়সৰসাধিকং শ্ৰীমৎকৃষ্ণকথাৰসম্।
শুক-আচাৰ্যকথয়া সপ্তমে সমুদীৰিতম্॥ ৭॥

॥ অষ্টম অধ্যায় ॥

॥ পৰীক্ষিত-ৰক্ষা, কুন্তীৰ স্তুতি, ৰাজাৰ শোক ॥

অষ্টম অধ্যায়ত পৰীক্ষিত-ৰক্ষা, কুন্তীৰ তুতি, ৰাজাৰ শোক কহিবা॥

"পাছে পাণ্ডৱসৱে গঙ্গাত প্ৰেতক জলাঞ্জলি কৰি বিলাপ কৰিলা। কৃষ্ণো মুনিগণ সমে তাৰাৰ শোক শান্ত কৰিলা। পাছে সবাকো সম্বুধি দ্বাৰকাক যাইতে ৰথত চড়িলা। সেই সময়ত মহাভয়ে উত্তৰা

কৃষ্ণক প্ৰাৰ্থন্ত, 'হে কৃষ্ণ তুমি মহাযোগী, জগতপতি, মোক ত্ৰাণ কৰা। মই মৰো, আত কিছো নাই; কিন্তু গৰ্ভমাত্ৰ ৰক্ষা কৰা। তুমি বিনে লোকৰ আন ৰক্ষা নাই, এতেকে তোমাত প্ৰাৰ্থনা কৰো। হেৰ অগ্নিময় শৰসৰে মোক খেদি আসে।' তাহান কাৰ্পুণ্য বাক্য শুনি ভক্ত-বৎসল ভগৱন্তে দেখন্ত, পাঞ্চ পাণ্ডৱক লাগি কোপিত দ্ৰৌণিৰ পাঞ্চ শৰ আসে। ভক্তৰ দুঃখক দেখি সুদৰ্শন চক্ৰে পাণ্ডৱক ৰক্ষা কৰিলা, উত্তৰাৰো গৰ্ভ ৰক্ষা কৰিলা গদা ধৰি।

"পাছে পাঞ্চ পুত্ৰ সহিতে শ্ৰীকৃষ্ণক কুন্তী স্তুতি বোলন্ত, 'হে কৃষ্ণ, তোমাক প্ৰণাম কৰো। তুমি মহাপুৰুষ, প্ৰকৃতিতো পৰ, পৰম ঈশ্বৰ; সকলো প্ৰাণীৰ বাহিৰে ভিতৰে আছা। তথাপি অজ্ঞানে তোমাক নজানে; জ্ঞানীৰো গম্য নহা। মঞি স্ত্ৰীমতি কেমনে জানিম? ভক্তিকো নজানো, কেৱলে নমো। হে কৃষ্ণ, বাসুদেৱ, দৈৱকীনন্দন, নন্দগোপ-কুমাৰ গোৱিন্দ তোমাক বন্দো। পদ্মনাভ, পদ্ম-মালী, পদ্ম-নেত্ৰ, পদ্মচৰণ, তোমাক নমো। মাতৃতো কৰি তোমাৰ মোত অধিক স্নেহ, যাতো নানা আপদত পুত্ৰ সমে তেখনে ৰাখিছা। এতেকে সদায়ে আমাৰ আপদ হৌক, যি আপদত তোমাক দেখিতে পাওঁ। সম্পদত তোমাৰ নাম লৈতে নপাৰি। অজনো জন্ম ধৰা; অকৰ্ত্তায়ো কৰ্ম্ম কৰা, এতেকে লোকে তোমাৰ তত্বক নজানে, নানামতে কহে। তুমি পুনু কৃপায়ে যশ বিস্তাৰিতে অৱতৰিছা। এতেকে যশক যি শ্ৰৱণ কীৰ্ত্তন স্মৰণ কৰে, সি অনায়াসে সংসাৰ তৰি তোমাৰ পদক পাৱে। মোৰ যাদৱ-পাণ্ডৱ-বংশত স্নেহ গুচাই তোমাৰ চৰণত সদা ৰতি দিয়া। হে ভগৱন্ত কৃষ্ণ, তোমাক কোটিবাৰ প্ৰণাম কৰো।' "

সুতে বোলন্ত, "পাছে কৃষ্ণে হাস্য কৰি কুন্তীক মুহিলা। পুনু হস্তিনাপুৰক গৈয়া সবাকো সম্বুধি চলিবাক চাহিতে যুধিষ্ঠিৰে প্ৰীতি কৰি ৰাখিলা। ভীষ্ম-নিৰ্যাণ-উৎসৱ প্ৰসঙ্গ কহো। যুধিষ্ঠিৰ ৰাজা বন্ধু-বধ-দুঃখে আকুল হৈলা। ব্যাসাদি মুনিগণে প্ৰবোধ দিলা; কৃষ্ণে বুঝাইলা; তথাপি শোক দূৰ নহৈল। মহাশোকে আকুল হৈয়া

মনত গুণন্ত, 'মিছা দেহ অৰ্থে অঠৰ অক্ষৌহিণী সেনা বধিলো। আনো জ্ঞাতিসৱ বধিছো ; এতেকে মোৰ কোটি বৎসৰতো নিস্তাৰ নাই ॥' ”

॥ শ্ৰীভাগৱতকথায়াং কৱিৰত্নকৃতায়াং প্ৰথমস্কন্ধে অষ্টমোঽধ্যায়ঃ ॥

॥ হে সভাসদ, দেখ, মহাভয়ত কৃষ্ণ বিনে ত্ৰাতা নাই। আক জানি সদায়ে কৃষ্ণক স্মৰি হৰি বোল ॥

॥ শ্লোক ॥ উক্তঃ পৰীক্ষিতো মাত্ৰা ত্ৰাতা কৃষ্ণো ন চাপৰঃ।
অতঃ কুন্তীস্তুতৌ ৱ্যক্তং সদা তৎস্মৰণং নৃণাম্ ॥ ৮ ॥

॥ নৱম অধ্যায় ॥

॥ ভীষ্ম-স্তুতি ॥

নৱম অধ্যায়ে ভীষ্ম-স্তুতি কহিবা।

“এমনে যুধিষ্ঠিৰ ৰাজা বন্ধু-বধ-ভয়ে ভীত হুয়া ভাতৃগণ সমে কুৰুক্ষেত্ৰ গৈলা, যাত পিতামহ ভীষ্ম পৰি আছা। কৃষ্ণ অৰ্জ্জুন সহিতে একে ৰথে গৈলা। ভীষ্মক দেখি সৱে পাণ্ডৱে কৃষ্ণ সহিতে বসিলা। সেহিবেলা ব্ৰহ্মঋষি, দেৱঋষি, ৰাজঋষি, ভীষ্মক দেখিতে আসিলন্ত। তাৰাৰ নাম কহো—পৰ্ব্বত, নাৰদ, ব্যাসঋষি, ধৌম্য, বৃহদশ্ব, ভৰদ্বাজ, পৰ্শুৰাম, বশিষ্ঠ, ইন্দ্ৰপ্ৰমদ, ত্ৰিত, গৃৎসমদ, অসিত, কাক্ষিমন্ত, গৌতম, অত্ৰি, কৌশিক, সুদৰ্শন, শুক, কাশ্যপ, বৃহস্পতি, ইসৱ প্ৰমুখে আন নানা মুনিসৱ শিষ্য সমে আসিলা। তাৰাসৱক ভীষ্মো বচনে সৎকাৰ কৰিলা ; কৃষ্ণকো মনে পূজা কৰিলা ; পাছে পাণ্ডৱসৱক দেখি সলোতক-নয়নে বোলন্ত, 'অহো কি কষ্ট ! কি অন্যায়, যাতো তোৰা ধৰ্ম্মিষ্ঠ, ব্ৰহ্মণ্য, বৈষ্ণৱ হুয়ো বৰ দুঃখ পাইলা। পাণ্ডু মৰিলে তোৰাৰ নিমিত্তে ; কুন্তীও মহা দুঃখ পাইলা। তোৰাসৱৰ দুঃখ কালেসে কৰিল, যি কালৰ সকল লোক অধীন। অহো, অঘটনঘটনসমৰ্থ কাল।

যাতো পুণ্যশৰীৰ যুধিষ্ঠিৰ, গদাধৰ বৃকোদৰ, অস্ত্ৰ-নিপুণ অৰ্জ্জুন, কৃষ্ণ ইষ্ট-সুহৃদ ; তাতো আপদ। বুলিবা, কৃষ্ণে সুহৃদ হৈলে কেনে আপদ হয়? ইহাত শুনা।—কৃষ্ণৰ অভিপ্ৰায় কেহো নজানে, যাক জিজ্ঞাসিতে ব্ৰহ্মাদিও মোহ হয়। এতেকে ঈশ্বৰাধীন জগত জানি আপুনিও তাহান অধীন হুয়া অনাথ প্ৰজাক পালা। কৃষ্ণ ভগৱন্ত নাৰায়ণ জগত-কাৰণ ; আহান মহিমাক শিৱ, নাৰদ, কপিলে নজানন্ত, যাক নজানি মমাৰ পুত্ৰ বোলা, প্ৰিয়তম সুহৃদ মানিছা, পাত্ৰ মন্ত্ৰী দূত সাৰথি কৰিছা। যদ্যপি সৰ্ব্বাত্মা কৃষ্ণ সবাতে সম, তথাপি একান্ত ভক্তক দায়া কৰন্ত। দেখ, মোৰ মৰণ-সময়ত আপুনি আসিছা। যাৰ নাম মুখে লৈয়া, মনে ৰূপ ধৰি যোগীসবে দেহ এৰি মুক্ত হয়, সেহি দেৱদেৱ ভগৱন্ত যাৱে দেহ এৰো তাৱে অপেক্ষা কৰিবা।' "

সূতে বোলন্ত, "হেন শুনি যুধিষ্ঠিৰে নানা ধৰ্ম্ম পুছিলা। ভীষ্মো কহিলা, সৰ্ব্ব-ধৰ্ম্ম-শ্ৰেষ্ঠ হৰি-নামো কহিলা। পাছে মৰণ-সময় দেখি মৌন হৈলা, কৃষ্ণৰ মূৰ্ত্তিতে মন দিলা। তেখনে সকলে অশুভ নষ্ট হৈল। সৰ্ব্ব ইন্দ্ৰিয় নিশ্চল কৰি দেহ এৰিতে ভীষ্মে কৃষ্ণক তুতি কৰন্ত, 'হে কৃষ্ণ তুমি ভগৱন্ত ; তোমাত নিষ্কাম মতি অৰ্পিলো। ত্ৰিভুৱন-সুন্দৰ, শ্যাম-কলেৱৰ, পীতাম্বৰ, বনমালী, চাৰু-চতুৰ্ভুজ, অলকা-আবৃত-মুখ-কমল বিজয়-সখি, তোমাত মোৰ ৰতি ৰহোক। অৰ্জ্জুনৰ সাৰথি-কৰ্ম্ম কৰি, শত্ৰুৰ আয়ু হৰি, আত্মজ্ঞান দিয়া, কুমতি হৰিয়া হিত কৰিছা ; মোকে অঙ্গীকাৰ ৰাখি অনুগ্ৰহ কৰিছা ; মঞো শৰ মাৰিছো। বীৰসৱ যুদ্ধত মৰিতে তোমাক দেখি সাৰূপ্য পায়াছে। কামাকুল গোপীসৱো তোমাক চিন্তিয়া আছে। তুমি জগত-পূজ্য, যাতো ৰাজসূয়-সভাত অগ্ৰ-পূজা পায়া আছা। হেনয় শ্ৰীকৃষ্ণত ৰতি ৰহোক। সবাৰে অন্তৰ্য্যামী, এক, অজ, তোমাক আজি সাক্ষাতে পায়া কৃতাৰ্থ হৈলো।' "

সূতে বোলন্ত, "এহিবিধ স্তুতি কৰি ভীষ্মে কৃষ্ণক চিন্তি প্ৰাণ

এৰিলা, কৃষ্ণক পৰশি পাৰিষদ হৈয়া বৈকুণ্ঠক গৈলা। তাক দেখি দেৱ মনুষ্যে দুন্দুভি বাদ্য কৰিল, সাধুসৱে প্ৰশংসিল ; আকাশৰপৰা পুষ্প-বৃষ্টি হৈল। যুধিষ্ঠিৰে দাহাদি কৰ্ম্ম কৰিলা, মুনিগণো জয়-কৃষ্ণ বুলি কৃষ্ণক মনত ধৰি আশ্ৰমক গৈলা, যুধিষ্ঠিৰো হস্তিনাপুৰক গৈয়া ধৃতৰাষ্ট্ৰ-গান্ধাৰীৰ শোক দূৰ কৰিলা ; পাছে শ্ৰীকৃষ্ণ-আজ্ঞায়ে ৰাজা হৈলা ; কৃষ্ণ-সেৱা-উৎসুকে বিষয়ত নিস্পৃহ হৈয়া পুত্ৰৱতে প্ৰজা পালিলা ॥”

॥ শ্ৰীভাগৱতকথায়াং কৱিৰত্নকৃতায়াং প্ৰথমস্কন্ধে নৱমোঽধ্যায়ঃ ॥

॥ হে সভাসদ লোক, ভীষ্মে কহিলা, ভজনীয় ঈশ্বৰ এক কৃষ্ণ মাত্ৰ ; এতেকে তান পদাৰৱিন্দত ৰতিক প্ৰাৰ্থিলা। আক জানি উচ্চ কৰি ডাকি বোলা জয় ৰাম ॥

॥ শ্লোক ॥ ভজনীয়েশ্বৰঃ কৃষ্ণঃ এৱং ৱাক্যাৎ যুধিষ্ঠিৰ-।
স্তৎপাদাব্জৰতিং সাক্ষাৎ কৰ্তুং যাচিতৱান্ স্বয়ম্ ॥ ৯ ॥

॥ দশম অধ্যায় ॥

॥ কৃষ্ণ চলিতে পুৰস্ত্ৰীসৱৰ বাক্য ॥

দশম অধ্যায়ে কৃষ্ণ চলিতে পুৰস্ত্ৰীসৱৰ বাক্য কহিবা।

শৌনকে পুছন্ত, “যুধিষ্ঠিৰে শত্ৰু বধি ৰাজ্য পায়া কি কৰ্ম্ম কৰিলা, তাক কহ।”

সূতে বোলন্ত, “যুধিষ্ঠিৰ ৰাজা ভীষ্মৰ বাক্যে শোক-মোহ এৰি সাগৰ পৰ্য্যন্তে পৃথিৱী শাসন কৰিলা ; কৃষ্ণ-সেৱা-উৎসুকে বিষয়ত নিস্পৃহ হৈয়া পুত্ৰৱতে প্ৰজা পালিলা। তাহান ৰাজ্য সৰ্ব্বসম্পন্ন ভৈল, প্ৰজাসৱো মহা সুখে ৰহিল। কৃষ্ণো সুহৃদৰ শোক দূৰ কৰি কতিপয় মাস আছিলা, পাছে সৱাকে প্ৰবোধি ৰথত চঢ়িলা ;

পাণ্ডৱসৱো কৃষ্ণৰ বিৰহে আকুল হৈলা। আৰু আচৰ্য্য নেদেখিবা। সাধুসঙ্গত যাৰ কথা শুনি বিষয়-সঙ্গ এৰিয়ো সাধুসঙ্গ এৰিতে নপাৰি, সেই কৃষ্ণত দৰ্শন-স্পৰ্শন-আলাপ-শয়ন-আসন-ভোজনে মন নিৱেশি আছে; কেমনে বিৰহ সহিবেক? এতেকে অনিমিষ চক্ষুৰে চায়া লড়িলা। স্ত্ৰীসৱৰো কৃষ্ণৰ বিৰহে চক্ষুৰ লোতক ঝৰিল; কৃষ্ণ চলিতে অমঙ্গল মানি তাক নেত্ৰতে নিবোধিলা। তেখনে নানাবিধ বাদ্য বজাইল। স্ত্ৰীগণো গৃহত চৰি পৰম প্ৰেমে পুষ্প-বৃষ্টি কৰিল। অৰ্জ্জুনে ধৱল ছত্ৰ ধৰিলা; উদ্ধৱ-সাত্যকি চামৰ ঢুলিলা; বিপ্ৰসৱে আশিষ দিলা; পাছে পুৰস্ত্ৰীসৱৰ অন্যোঅন্যে আলাপ ভৈলা। কতো স্ত্ৰীসৱে কৃষ্ণৰ পৰম লাৱণ্য মূৰ্ত্তি দেখি বিস্ময় ভৈলা। কতো স্ত্ৰীসৱে তাৰাক সম্বুধি কহে, 'হে সখীসৱ, ইহাত বিস্ময় নহৈবা। এহি কৃষ্ণ সাক্ষাতে পুৰাণ পুৰুষ, পৰমেশ্বৰ; যাতো সৃষ্টিৰ পূৰ্ব্বত, প্ৰলয়ৰ অন্তত একলে থাকন্ত, পাছে প্ৰকৃতিকো প্ৰৱৰ্ত্তান্ত; বেদকো কৰিছন্ত; যাৰ চৰণক নিৰ্ম্মল বুদ্ধিয়ে যোগীগণে চিন্তে; যাৰ চৰিত্ৰ বেদৱাদীসৱো গান্ত। অহো, যদুকুল কি ভাগ্যৱন্ত, যাতো শ্ৰীকৃষ্ণ জন্মি আছা। অহো, মধুবন কি ভাগ্যৱন্ত, কি পুণ্যস্থান, যাত শ্ৰীকৃষ্ণ ভ্ৰমিছা। অহো, দ্বাৰকা স্বৰ্গত কৰি মানো, যাৰ লোকে কৃষ্ণক নিতে দেখে। ইহান পত্নীসৱ পূৰ্ব্বজন্মে অনেক পুণ্য কৰি কৃষ্ণক পূজিছে, যাতো আন অধৰামৃত পান কৰে নিত্যে, গোপীসৱো যাক নপায়া মোহ হৈয়াছে, আৰাসৱে অশুচি অস্বতন্ত্ৰ স্ত্ৰীজাতিকো সাধু কৰিল, যাতো আৰাৰ গৃহ এৰি কৃষ্ণ কোন ঠাইক নযান্ত; আৰো পাৰিজাত আদি প্ৰিয় বস্তু দিয়া আনন্দ কৰান্ত।' ”

সূতে বোলন্ত, "স্ত্ৰীসৱৰ এমন বাক্য শুনি কৃষ্ণে হাস্যে-কটাক্ষে আনন্দ কৰাই চলিলা। পাছে যুধিষ্ঠিৰে শত্ৰুক শঙ্কায় চতুৰঙ্গ সেনা দিলা। পাছে কতো দূৰ গৈয়া কৃষ্ণে পাণ্ডৱক প্ৰবোধি পঠাইলা। উদ্ধৱাদি সহিতে আপুনাৰ নগৰ চলিলা। পথত নানাদেশী লোকে নানা দ্ৰব্য দিয়া তুতি-নতি কৰিলেক। পাছে আপুনাৰ আনৰ্ত্ত দেশ পায়া ৰহিলা॥"

॥ শ্ৰীভাগৱতকথায়াং প্ৰথমস্কন্ধে দশমোঽধ্যায়ঃ ॥

॥ হে লোকসব দেখ, নগৰৰ নাৰীসব কৃষ্ণক পৰমেশ্বৰ কৰি কহিলা, দেশবাসীসৱো নানা দ্ৰব্যে অৰ্চ্চি তাঙ্কে প্ৰীত কৰিল। এতেকে কৃষ্ণক পৰম দেৱতা জানি সততে ভজা। প্ৰথমে ডাকি হৰি বোলা ॥

॥ শ্লোক ॥ দশমে পুৰনাৰীভিৰ্বীৰিতঃ শৌৰিৰীশ্বৰঃ।
স এৱ দৰ্শিতো দ্ৰব্যৈঃ প্ৰীতঃ দেশনৰৰ্ষিভিঃ ॥ ১০ ॥

॥ একাদশ অধ্যায় ॥

॥ আনৰ্ত্তবাসীৰ স্তুতি আৰু কৃষ্ণৰ পুৰ-প্ৰৱেশ ॥

একাদশ অধ্যায়ে পুৰ-প্ৰৱেশ কহিবা।

সূতে কহন্ত, "শ্ৰীকৃষ্ণে আপুনাৰ আনৰ্ত্ত দেশ পায়া তাৰাৰ বিষাদ দূৰ কৰিতে পাঞ্চজন্য শঙ্খ বজাইলা। শঙ্খনাদ শুনি প্ৰজাসৱ হৰিষিত হৈয়া আগ বাঢ়ি আসিলা। নানা উপায়ন কৃষ্ণক দিয়া গদগদ বাক্যে বুলিতে লাগিলা, 'হে স্বামী শ্ৰীকৃষ্ণ, তোমাৰ পাদপদ্মক সদায়ে বন্দো, যাক ব্ৰহ্মাদিও বন্দে, মুমুক্ষুজনৰো পৰম আশ্ৰয়, যাহাত শৰণ পশিলে কালো কিছো কৰিতে নাপাৰে। তুমি আমাৰ পিতৃ-মাতৃ, সুহৃদ, গুৰু, দেৱতা ; তোমাক সেৱায়ে আমি কৃতাৰ্থ হৈলো ; তুমি-নাথে নাথৱন্ত হৈলো, যাতো দেৱৰ দুৰ্লভ তোমাৰ সুন্দৰ ৰূপক দেখিলো। যেখনে আমাক এৰি হস্তিনাপুৰ-মথুৰাক যাৱা, তেখন আমাৰ ক্ষেণেকে কোটি বৎসৰ সমান হোৱে। যেন সূৰ্য্য বিনে চক্ষু অন্ধ, তেমনে আমি অন্ধ হওঁ ॥' "

সূতে বোলন্ত, "প্ৰজাসৱৰ এহি বাক্য শুনি ভক্তক স্নেহে ভগৱন্তে কটাক্ষে আনন্দ কৰাই আপুনাৰ অলঙ্কৃত পুৰি প্ৰৱেশিলা। বসুদেৱ আদি বন্ধুসৱো কৃষ্ণ আসিবাৰ শুনি আনন্দমনে পাটহস্তী আগ কৰি পঞ্চশব্দ কৰি আগ বাঢ়ি আসিলা। নট-নটীগণো, গায়ন-বায়নসৱো

উৎসুকে আসিলা। শ্ৰীকৃষ্ণো বন্ধুজন, পুৰজন, সেৱকজনকো যথাযোগ্যে সৱাকো প্ৰতি আশ্বাস কৰিলা, নগৰ পশিলা। গুৰু, বৃদ্ধ, ব্ৰাহ্মণসৱো কৃষ্ণক আশীৰ্ব্বাদ দিলা। ৰাজপথে কৃষ্ণ চলিতে কুলস্ত্ৰীসৱো দৰ্শন-উৎসুকে গৃহত চড়িল। যদ্যপি কৃষ্ণক নিতে দেখে, তথাপি দৰ্শনে চিত্তৰ তৃপ্তি নহে। যাতো লক্ষ্মীৰ নিৱাস বক্ষস্থল, চক্ষুৰ পানপাত্ৰ মুখ, লোকপালৰ আশ্ৰয় বাহু, ভক্ত-ভ্ৰমৰাৰ আশ্ৰয় পাদপদ্ম; উপৰত ধৱল ছত্ৰ; দুই পাশে শুক্ল চামৰ; পুষ্প-বৃষ্টি, পীত বস্ত্ৰ, বনমালায়ে পথত কৃষ্ণক প্ৰকাশিলা। যদি মেঘৰ উপৰত সূৰ্য্য, দুই পাশে চন্দ্ৰ, সৰ্ব্বতো নক্ষত্ৰ, মধ্যে দুই ইন্দ্ৰধনু, থিৰ বিদ্যুত হয়, তেৱে কৃষ্ণ-শৰীৰৰ উপমা পাই। পাছে কৃষ্ণে পিতৃগৃহ প্ৰৱেশিলা; মাতৃসৱকো নমিলা। তাৰাসৱো হৰ্ষে বিহ্বল হৈয়া কৃষ্ণ পুত্ৰক সাবটি কোলাত বৈসাই নেত্ৰজলে তিয়াইলা। স্নেহত সৱাৰো স্তন স্ৰৱিল। পাছে আপুনাৰ ষোড়শ সহস্ৰ অষ্টোত্তৰ শত গৃহত একেবাৰে প্ৰৱেশিলা। পত্নীসৱো কৃষ্ণ আসিবাৰ দেখি তেখনে আসনৰ উঠি আগ বাঢ়ি গৈয়া প্ৰণাম কৰিলা, কোলাত পুত্ৰ দিবাৰ ছলে আলিঙ্গন কৰিলা। প্ৰেমে লোতক ঝড়িল। যদ্যপি কৃষ্ণে তাৰাৰ সমীপতে থাকা, তথাপি তাহাৰ চৰণ-যুগল ক্ষণে ক্ষণে নৱ। চঞ্চলা লক্ষ্মীও যাক এৰিতে নপাৰে, সেই ভগৱন্ত উত্তম স্ত্ৰী-সমূহত প্ৰাকৃত যেন ৰমিলা। বুলিবা, তেবে কেনে প্ৰাকৃত নুবুলি? ইহাৰ উত্তৰ শুনা। যাৰাসৱক দেখি আপুনি মহেশো মোহ হুয়াছে, তাৰাৰ হাস্য-লাস্য-কটাক্ষে কৃষ্ণৰ মন মোহিতে নপাৰে। তাঙ্ক অজ্ঞজনে স্ত্ৰীসঙ্গী বুলি মানে। ঈশ্বৰৰ ঈশ্বৰতা মায়াত থাকিতেও মায়াগুণে নোছোৱে॥”

॥ শ্ৰীভাগৱতকথায়াং প্ৰথমস্কন্ধে একাদশোঽধ্যায়ঃ ॥

॥ হে নৰনাৰীসৱ দেখ, দেশবাসী পুৰবা[illegible] ভক্তি
এতেকে যি যিমানে পাৰা কৃষ্ণত প্ৰীতি [illegible] ডাকি হৰি বোল হৰি॥

॥ শ্লোক ॥ আনৰ্ত্তৱাসিনাং স্তুত্যা ভগৱান্ ভুৱনেশ্বৰঃ।
প্ৰাৱিশদ্ভৱনং প্ৰীত্যা বৈভৱং সমদৰ্শয়ন্ ॥ ১১ ॥

MOTI RAM BORA BALIKA VIDYAPITH
ESTD 1963
P.O. NOWGONG. ASSAM.

॥ দ্বাদশ অধ্যায় ॥

॥ পৰীক্ষিতৰ জন্ম ॥

দ্বাদশ অধ্যায়ে পৰীক্ষিতৰ জন্ম কহিবা।

শৌনকে পুছন্ত, "হে সূত, যি অশ্বত্থামাৰ ব্ৰহ্মাস্ত্ৰে উত্তৰাৰ গৰ্ভ নষ্ট হৈল, তাক পুনু ঈশ্বৰে ৰাখিলা। তাহান জন্ম-কৰ্ম্ম, মৰণ-মুক্তি আমাত কহা।"

সূতে বোলন্ত, "উত্তৰাৰ গৰ্ভ ব্ৰহ্মাস্ত্ৰে দহন্তে শ্ৰীকৃষ্ণক দেখিলা অঙ্গুষ্ঠ-প্ৰমাণ, শ্যামতনু, পীতবাস, চতুৰ্ভুজ, সুবৰ্ণময়-কিৰীটি-কুণ্ডল, ৰক্ত-নেত্ৰ; গদা ধৰি ৰক্ষা কৰি চৌপাশে ফুৰন্ত; ব্ৰহ্মাস্ত্ৰৰ তেজ গদায়ে বিনাশন্ত। তাঙ্ক দেখি মনে কোন বুলি বিতৰ্কিলা। কৃষ্ণে ব্ৰহ্মাস্ত্ৰ বিনাশি দশ মাসৰ শিশু চাই থাকিতে অন্তৰ্দ্ধান ভৈলা। পাছে সৰ্ব্বানুকূল লগ্ন ভৈলে পাণ্ডুৰৰ বংশধৰ নাতি উপজিলা। যুধিষ্ঠিৰ ৰাজা মহা আনন্দে মঙ্গল কৰি ব্ৰাহ্মণ সহিতে জাতকৰ্ম্ম কৰিলা; গো, সুৱৰ্ণ, ভূমি, গ্ৰাম, হস্তী, ঘোৰা দান দিলা; ব্ৰাহ্মণক ভোজন কৰাইলা। ব্ৰাহ্মণসৱে দক্ষিণা পায়া তুষ্ট হৈয়া ৰাজাক বোলন্ত, 'হে মহাৰাজ যুধিষ্ঠিৰ, ওহি শুদ্ধ ছৱাল গৰ্ভতে ব্ৰহ্মাস্ত্ৰ মাৰিছা; কৃষ্ণে তোঠেক কৃপায়ে ৰক্ষা কৰি দিলা। এতেকে বিষ্ণুৰাত নাম হৈবেক। আত কিছো সংশয় নকৰিবা, মহাৰাজা, মহাভাগৱত হুইবা; ইক্ষ্বাকু সম প্ৰজা পালিবা; ৰামচন্দ্ৰ সম ব্ৰহ্মণ্য, সত্যবাদী হুইবা; শিবি ৰাজা সম দাতা হুইবা; ভৰত সম যশস্বী হৈবে; অগ্নিসম দুৰ্দ্ধৰ্ষ; সাগৰ সম দুস্তৰ, সিংহসম বিক্ৰম হৈবে; পৃথিৱী সম সহিবা; সমভাৱে ব্ৰহ্মা, প্ৰসাদে ৰুদ্ৰ, আশ্ৰয়ে বিষ্ণু সম হৈবে; ৰন্তিদেৱ সম উদাৰ, যযাতি সম ধাৰ্ম্মিক হৈবা; ধৈৰ্য্যে বলি সম, প্ৰহ্লাদ সম হৰিভক্ত হৈবা; তিনি অশ্বমেধ কৰিবা; সাধুৰ সেৱক হুইবা; পুত্ৰসৱ উপজাইবা; দুৰ্জ্জন দণ্ডিবা;

ধৰ্ম্ম-পৃথিৱীৰ অৰ্থে কলিক নিগ্ৰহিবা; পাছে বিপ্ৰ-পুত্ৰৰ শাপে তক্ষকত হন্তে আপুনাৰ মৃত্যু শুনি বিষয়-সঙ্গ এৰি হৰিক ভজিবা; শুক মুখে জ্ঞান পায়া গঙ্গাত দেহ এৰি বৈকুণ্ঠ যাইবা।' ”

সূতে কহন্ত, “এহি কথা কহি ব্ৰাহ্মণসৱে দক্ষিণা পায়া গৃহক গৈলা। পাচে তাহান পৰীক্ষিত নাম ভৈল, যাতো গৰ্ভদৃষ্ট কৃষ্ণক লোকতো পৰীক্ষিল। সিটো ৰাজকুমাৰ শুক্ল-পক্ষৰ চন্দ্ৰ সমান বাঢ়িল। পিতামহসৰো চৌষষ্ঠি কলা শিখাইলা। পাছে ৰাজা যুধিষ্ঠিৰে ৰাজা-বন্ধু-বধ-ভয়ে অশ্বমেধ কৰিতে চান্ত। ধন নাটে নিমিত্তে মনত গুণন্ত। কৰ-দণ্ডৰ ধনে পৰিজন পুষিতে লাগে। পাছে ৰাজাৰ চিন্তা দেখি ভগৱন্তে উপায় দিলা। সেই উপায়ে ভাতৃসৱে মৰুত্ত ৰাজাৰ যজ্ঞ-অৱশেষ ধন আনিলন্ত। সেই ধনে সম্ভাৰ কৰি কৃষ্ণক মাতি আনি অশ্বমেধ কৰিলা। কৃষ্ণো তিনি ক্ৰতুকে শতক্ৰতু সম বিস্তাৰিলা। পাছে সৱাকে সম্বুধি শ্ৰীকৃষ্ণ দ্বাৰকাক গৈলা ॥”

॥ শ্ৰীভাগৱতকথায়াং প্ৰথমস্কন্ধে দ্বাদশোঽধ্যায়ঃ ॥

॥ হে লোকসৱ, দেখ কৃষ্ণৰ ভক্তবৎসল গুণ ঃ গৰ্ভতো প্ৰৱেশিও ৰক্ষা কৰন্ত। এতেকে তান কৃপা-গুণ দেখি সত্বৰে ভজি বোলা জয় ৰাম ॥

॥ শ্লোক ॥ ৱিষ্ণোঃ স্বভক্তপাতিত্বং পৰীক্ষিদ্ৰক্ষণাদিতঃ।
দ্বাদশে দৰ্শিতং সাক্ষাদ্দিৱ্যদৃষ্ট্যা দ্বিজাতিতঃ ॥ ১২ ॥

॥ ত্ৰয়োদশ অধ্যায় ॥

॥ ধৃতৰাষ্ট্ৰৰ নিৰ্গম ॥

ত্ৰয়োদশ অধ্যায়ে ধৃতৰাষ্ট্ৰৰ নিৰ্য্যাণ কহিবা।

সূতে বোলন্ত, "বিদুৰে তীৰ্থ-যাত্ৰা কৰিতে মৈত্ৰেয়ত হন্তে ঈশ্বৰ কৃষ্ণক সাক্ষাতে জানি তাহান একান্ত ভক্ত হুয়া হস্তিনাপুৰক আসিলা। বিদুৰে আসিবাৰ কথা শুনি ধৃতৰাষ্ট্ৰ যুধিষ্ঠিৰ প্ৰমুখ্যে সৱে জ্ঞাতি আগ বাঢ়ি গৈয়া যথাযোগ্য সৎকাৰ কৰিলা। পাছে যুধিষ্ঠিৰে আসনে বৈসাই পাদ প্ৰক্ষালন কৰি পঞ্চামৃতে ভোজন কৰাইলা। পাছে বিশ্ৰান্ত হুয়া মহা সুখে বসিলে সৱাৰো আগতে যুধিষ্ঠিৰে পুছন্ত, 'হে খুড়া, তুমি আমৰাসৱক সুমৰা, যাতো আমি তোমাৰ ছায়াত বাঢ়িছি; নানা আপদতো ৰাখিছা। আৰো তুমি পৃথিৱী ফুৰিতে কেমনে বৰ্ত্তিলা? কোন কোন তীৰ্থক্ষেত্ৰ ফুৰিলা? তীৰ্থক কৃপায়েসে তোৰাৰ তীৰ্থ-যাত্ৰা, আপুনাৰ কাৰ্য্য নাই, যাতো তোৰা মহাভাগৱত, হৰিক হৃদয়ে ধৰিছা; এতেকে তোৰাৰ পৰশে তীৰ্থ পৱিত্ৰ হয়। আমাৰ সুহৃদসৱ দ্বাৰকাত কুশলে আছে? আক তুমি দেখিছা বা শুনিছা?' "

সূতে বোলন্ত, "ৰাজা এহি কথা পুছিলে বিদুৰে যদু-কুল-ক্ষয় বিনে সৱে কহিলা, যাতো মহন্তসৱে পৰৰ দুঃখ দেখিতে নপাৰে। কতো দিন তহিতে বঞ্চিলা। তাৰায়ো দেৱক যেন সৎকাৰ কৰিলা। বড় ভাই ধৃতৰাষ্ট্ৰকো উপদেশ দিলা, যাতো যমৰাজা মাণ্ডৱ্য ঋষিৰ শাপে জন্মিছা।

"একদিনা বিদুৰে ধৃতৰাষ্ট্ৰক বোলন্ত, 'হে ৰাজা, সত্বৰে বঝায়া দেখ, ভয়ে পাইলা, যাৰ প্ৰতিকাৰ কৰিতে কেয়ো কদাচিতো নাপাৰে; কিন্তু সেই কালে পুনু সৱাকে সংহৰে। বুলিবা, ধন-সৰ্ব্বস্ব কেমনে

এৰি যাইবো ?—তাত শুনা, কালে পাইলে প্ৰিয়তম দেহো পৰিবেক, আউৰ ধনাদিক কে গণে ? তোমাৰ পিতৃ-ভাতৃ-সুহৃদ, পুত্ৰ মৰিল ; বয়সো গৈল ; বৃদ্ধ ভৈলা ; আৰ জীবাক কি ফল ? যি ভীমে তোমাৰ শত পুত্ৰ মাৰিলে, তাহাৰ অন্নত কি কাৰ্য্য ? আঠেক অন্নেক অপকাৰ কৰিছা ; তাঠেৰ অন্নে কি কাৰ্য্যে আউৰ বৰ্ত্তিবেক লাগে ? তোমাৰ দেহ জৰা-অৱস্থায়ে জীৰ্ণ হৈল। ইদানীকো গৃহ এৰি বনত গৈয়া হৰিক চিন্তি দেহ এৰ।' ”

সূতে বোলন্ত, “এমনে বিদুৰৰ প্ৰবোধ শুনি ধৃতৰাষ্ট্ৰ ৰাজা স্নেহ-পাশ ছিড়ি তেখনে গৃহৰ বঝাই হিমৱন্তক গৈলা। তাক জানি পতিব্ৰতা গান্ধাৰীও লগতে গৈলা। পাছে যুধিষ্ঠিৰ ৰাজা প্ৰভাতে নিত্যকৰ্ম্ম সমাপি তাৰাক প্ৰণামিতে গৃহ প্ৰৱেশিলা। নেদেখি শঙ্কিত মনে সঞ্জয়ত পুছিলা। সঞ্জয়ে বোলন্ত, ‘মঞি কিছো বাৰ্ত্তা নজানো, যাতো বঞ্চিত হৈলো।'

“আত অনন্তৰে তুম্বুৰু সহিতে নাৰদ আহিলা। ৰাজা নাৰদক দেখি পূজা কৰি পুছন্ত, ‘হে নাৰদ, আমাৰ পিতৃ-মাতৃসৱৰ বাৰ্ত্তা নজানো ; কোন ঠাই গৈলা ? আক সৰ্ব্বজ্ঞ তুমি কহা।'

“নাৰদে বোলন্ত, ‘হে মহাৰাজা, তুমি কাকো লাগি শোক নকৰিবা, যাতো ঈশ্বৰাধীন সকল জগত। আৰো আত্মা নিত্য, দেহ নশ্বৰ, ব্ৰহ্ম শুদ্ধ ; এতেকে অজ্ঞানকৃত শোক এৰা। আপুনি কাল-কৰ্ম্ম-গুণাধীন হৈয়া কেমনে আনক ৰাখিবা ? যাতো জীৱে জীৱৰ জীৱিকা হৈয়াছে, এতেকে জানিবা সৰ্ব্বৰূপে ভগৱন্ত প্ৰকাশ কৰা। সেই ভগৱন্ত দ্বাৰকাৰ কৃষ্ণ ; তেঁহে দেৱৰ সকল কাৰ্য্য কৰিলা ; কিছো মাত্ৰ অৱশেষ আছে। পাছে বৈকুণ্ঠক যাইবা। তেবে তোৰায়ো চলিবা।' এমনে শোক নিবাৰি ধৃতৰাষ্ট্ৰৰ কথা কহন্ত, ‘বিদুৰে ধৃতৰাষ্ট্ৰ গান্ধাৰীক হিমৱন্তৰ দক্ষিণ ভাগে সপ্তস্ৰোতাক নিলা। তথাতে অষ্টাঙ্গ যোগ আচৰি দেহ এৰি গতি পাইবা ; তাঙ্ক কিছো বিঘ্নি নকৰিবা ; গান্ধাৰীও তাঙ্ক অনুগমন কৰি মৰিবা ; বিদুৰো তীৰ্থ কৰিতে যাইবা।'

"নাৰদে এহি কথা কহি তুম্বুৰু সহিতে স্বৰ্গক গৈলা। যুধিষ্ঠিৰো নাৰদৰ বাক্যে শোক তেজিলা॥"

॥ শ্ৰীভাগৱতকথায়াং প্ৰথমস্কন্ধে ত্ৰয়োদশোঽধ্যায়ঃ॥

॥ আক জানি সৱ লোক হৰি বোলা॥

॥ শ্লোক॥ পুত্ৰমিত্ৰগৃহাদীনাং দুঃখদত্বঞ্চ নশ্বৰম্।
ধৃতৰাষ্ট্ৰাখ্যানে সাক্ষাদুক্তমস্মিন্ ত্ৰয়োদশে॥ ১৩॥

॥ চতুৰ্দ্দশ অধ্যায় ॥

॥ যুধিষ্ঠিৰৰ চিন্তা, অৰ্জ্জুনৰ আগমন॥

চতুৰ্দ্দশ অধ্যায়ে যুধিষ্ঠিৰৰ চিন্তনাত অৰ্জ্জুন আসিবা।

"কদাচিত অৰ্জ্জুন দ্বাৰকাক গৈয়া সাত মাস নাসন্ত। পাছে যুধিষ্ঠিৰ ৰাজা লোকৰ কু-স্বভাৱ দেখি ভীমক বোলন্ত, 'হে ভীমসেন, শ্ৰীকৃষ্ণৰ অভিপ্ৰায় জানিতে দ্বাৰকাক অৰ্জ্জুন গৈল। সাত মাস ভৈল; কি কাৰণে নাসন্ত, তাক নজানো। কিবা নাৰদে-কথিত কৃষ্ণ বৈকুণ্ঠক যাইবাৰ কাল ভৈল, যাতো নানা দাৰুণ বিমঙ্গল দেখো। মোৰ বাম বাহু, উৰু, আখি দক্ষিণ ফন্দে; হৃদয় কম্পে। এমনে স্বৰ্গ-পৃথিৱীত নানা বিমঙ্গল দেখো। এতেকে আমাৰ কিবা দুঃখ দেখাৱে। আন কিছো নহে। সৰ্ব্ব-পুৰুষাৰ্থ-হেতু শ্ৰীকৃষ্ণ; তান বিয়োগ বিনে এতেক বিমঙ্গল নঘটে। নিশ্চয় জানিলো, শ্ৰীকৃষ্ণৰ পদে পৃথিৱী বিহীন হৈল।'

"এমনে ৰাজা চিন্তা কৰিতে দ্বাৰকাৰপৰা অৰ্জ্জুন আসিয়া ৰাজাৰ চৰণত পৰিলা। তাঙ্ক আতুৰ, অধোমুখ, কান্তি-হীন দেখি সভাৰ মাঝতে ৰাজা পুছন্ত, 'হে অৰ্জ্জুন, দ্বাৰকাপুৰত আমাৰ বন্ধুসৱ কুশলে আছন্ত? শূৰ মাতামহ, মমা বসুদেৱ কুশলে আছন্ত? উগ্ৰসেন ৰাজা জীৱন্ত? অক্ৰুৰ আদি জ্ঞাতিসৱ কুশলে আছা? ৰাম, কাম,

অনিৰুদ্ধৰ কুশল ? আনো কৃষ্ণ-পুত্ৰসৱৰ বাৰ্ত্তা ভাল ? উদ্ধৱ আদি কৃষ্ণভক্ত কুশলে আছা ? ভক্ত-বৎসল ভগৱন্ত দ্বাৰকাপুৰত সুধৰ্ম্মা সভাত লোকৰ কুশলৰ অৰ্থে আছন্ত, যাৰ বাহু-দণ্ডক আশ্ৰয় কৰি যদু-বীৰসৱ পৰম আনন্দে সুধৰ্ম্মা সভাত ক্ৰীড়ন্ত, যাৰ পদ সেৱা-সঙ্গে সত্যভামা আদি স্ত্ৰীগণো শচীৰ পাৰিজাত আদি আনিয়া ভোগ কৰে ? হে বাপু অৰ্জ্জুন, তোৰ শৰীৰ অৰোগ ; কেনে কান্তিহীন হৈলি ? কিবা দুঃখ পাইলি ? কিবা অন্যায় কৰিলি ? কিবা অধমত পৰাজয় হৈলি ? কিবা প্ৰিয়তম-কৃষ্ণ-বিয়োগ হৈল ? আত বিনে তোৰ বিষাদৰ কাৰণ আন নঘটে ।' ”

॥ শ্ৰীভাগৱতকথায়াং প্ৰথমস্কন্ধে চতুৰ্দশোঽধ্যায়ঃ ॥

॥ সৱ লোক ডাকি বোলা ৰাম ৰাম ॥

॥ শ্লোক ॥ শ্ৰেষ্ঠকৃষ্ণং ৱিনা নেষ্টং শিষ্টমিষ্টসুহৃদ্বলং ।
স্পষ্টং ৱিশিষ্টভূপালৱাচা চতুৰ্দ্দশে স্থিতম্ ॥ ১৪ ॥

॥ পঞ্চদশ অধ্যায় ॥

॥ পাণ্ডৱৰ পয়াণ ॥

পঞ্চদশ অধ্যায়ে পাণ্ডৱৰ পয়াণ কহিবা ॥

সূতে কহন্ত, “এমনে অৰ্জ্জুনক বাৰ্ত্তা ৰাজা নানাভাৱে শঙ্কিলে কৃষ্ণক চিন্তি উত্তৰ দিবাক নপাৰিলা, যাতো কৃষ্ণ-বিৰহে কৃশ হৈয়াছে, মুখো শুখাই আছে। পাছে লোতক মলছি অদৃষ্ট কৃষ্ণৰ স্নেহে আকুল হৈয়া আহান সখ্য, মৈত্ৰী, সৌহৃদ্য, কৃত্য স্মৰি গদগদ বচনে ৰাজাক বোলন্ত, ‘হে মহাৰাজা, যাৰ ক্ষণমাত্ৰ বিয়োগে লোক মৃতৰ সমান হয়, সেই বান্ধৱ কৃষ্ণে বঞ্চিত হৈলো। এতেকে মোৰ কান্তি টুটিল।’ আবে কৃষ্ণৰ উপকাৰ স্মৰন্ত, ‘যাক আশ্ৰয় কৰি ৰাজাগণ

মাজে মৎস্য কাটি দ্ৰৌপদীক পাইলো, যাৰ সহায় ইন্দ্ৰৰ খাণ্ডৱ-বন অগ্নিক দিলো, দেৱগণ সমে ইন্দ্ৰক জিনিলো, ময় দানৱক ৰাখি দিব্য সভা পাতিলো, আৰো যাৰ তেজে ভীমে জৰাসন্ধক বধিলা, ৰাজাগণ মেলাইলা, যাৰ প্ৰসাদে লক্ষেক ৰাজায়ো কৰ দিলা, ৰাজসূয় যজ্ঞ কৰিলা, আৰো দ্ৰৌপদীৰ কেশত দুঃশাসনে ধৰিলে, তেঞো চৰণত পৰি কান্দিলা, এতেকে কৌৰৱক মাৰি তাৰাৰ স্ত্ৰীক বিধৱা কৰিলা, বনতো অৱশেষ শাক ভুঞ্জিলা, দুৰ্ব্বাসাৰ শাপত ৰাখিছা, যাৰ তেজে যুদ্ধত মহেশক বিস্ময় কৰাইছো, পাশুপত অস্ত্ৰক দিলা, আনো দেৱগণে আপুনাৰ অস্ত্ৰ দিলা, এহি শৰীৰে ইন্দ্ৰৰ অৰ্দ্ধাসন পাইলো, যাৰ প্ৰভাৱে মোৰ বাহুবলত নিবাতকবচ দৈত্য বধিতে ইন্দ্ৰাদি দেৱেও আশ্ৰয় কৰিলে, যাক বান্ধৱ মানি উত্তৰাগোগৃহত কুৰু-সৈন্য-সাগৰত একে ৰথে তৰিলো, বীৰসৱকো মোহ কৰি মুকুট-পাগুৰি আনিলো, মোৰ সাৰথি হৈয়া ভীষ্ম-দ্ৰোণ-কৰ্ণ আদি বীৰৰ আয়ু-উৎসাহ-বল-শক্তি চক্ষুৰে হৰিলা, যুদ্ধত বীৰসৱৰ অস্ত্ৰে মোক নুছুইলে, যাতো বান্ধৱে মোক ৰক্ষা কৰিলা, সেই ভগৱন্ত কৃষ্ণে বঞ্চিত হৈলো।' আৰে আপুনাৰ অপৰাধ স্মৰন্ত, 'যাৰ পাদপদ্মক ব্ৰহ্মাদিও ভজে, হেন কৃষ্ণক মঞি কুমতি সাৰথি কৰিলো, সখি বুলি নানা উপহাস্য উপালম্ভ কৰিলো। সেই অপৰাধসৱ ঈশ্বৰ হয়া সহিলা। সেই প্ৰিয়তম কৃষ্ণে বঞ্চিত হৈলো। তাহাৰ ষোল্ল হাজাৰ পত্নী ৰাখি আনিতে দুষ্ট গোৱালে মোক পৰাজয় কৰিলে। কৃষ্ণ বিনে মোৰ সেই ধনুশৰ, ৰথ ভস্মত হোম যেন নিস্ফল ভৈল। যদু-বংশো বিপ্ৰ-শাপে মোহ হৈয়া বাৰুণী সুৰা পান কৰি অন্যে অন্যে যুদ্ধ কৰি সৱে মৰিল। পৰমাৰ্থ ভগৱন্তে যদুকুল সংহৰি ভূভাৰ হৰিলা। ইদানীক শ্ৰীকৃষ্ণৰ হাস্য-কটাক্ষ, পৰিহাস-বাক্য স্মৰি মোৰ হৃদয় দহে, বাক্য-মনো হৰিল ; আৰ কিছো কহিতে নপাৰো।'

"এমনে অৰ্জ্জুনৰ কৃষ্ণৰ পাদপদ্ম স্মৰিতে মন নিৰ্ম্মল হৈল ; ভক্তিতে ঈশ্বৰ প্ৰকাশ ভৈল ; শোক মোহ গুচিল ; জীৱন্মুক্ত ভৈলা।

কুন্তীও কৃষ্ণৰ বৈকুণ্ঠ-পয়াণ যদুকুল-নাশ শুনি একান্ত ভক্তিয়ে কৃষ্ণক চিন্তি দেহ এৰি তাহাঙ্ক পাইলা। যুধিষ্ঠিৰে কৃষ্ণৰ এমন কথা শুনি লোকতো কলি প্ৰৱেশিবাৰ দেখি স্বৰ্গে চলিতে মন কৰিলা; হস্তিনাপুৰত জম্বুদ্বীপৰ ৰাজা পৰীক্ষিতক পাতিলা; মথুৰাপুৰত বজ্ৰক শূৰসেন দেশৰ ৰাজা পাতিলা; পাছে বস্ত্ৰ অলঙ্কাৰ এৰি, কানি-কন্থা পিন্ধি নিৰহঙ্কাৰ হৈলা; কৃষ্ণক হৃদয়ত ধৰি জড় পিশাচৰ বেশে উত্তৰ দিশক গৈলা। তাহান ভ্ৰাতৃগণ মন নিয়ম কৰি কৃষ্ণক হৃদয়ত ধৰি পাছতে লড়িলা। কৃষ্ণৰ ভক্তিয়ে সৱাৰো মন নিৰ্ম্মল হৈলা। হৃদয়তে কৃষ্ণক দেখিলা। পাছে দেহ এৰি পাৰিষদ হৈয়া বৈকুণ্ঠক গৈয়া কৃষ্ণৰ একান্ত ভক্ত হৈয়া ৰহিলা। দ্ৰৌপদীও পাঞ্চ পতিৰ নমাতিয়া যাইবাৰ দেখি কৃষ্ণত একান্ত মতি দিয়া কৃষ্ণকে পাইলা। বিদুৰো প্ৰভাস-তীৰ্থক যায়া দেহ এৰি পুনু যম ৰাজা হই ৰৈলা। বুলিবা, পাণ্ডৱসৱ কৃষ্ণক দেখি স্নেহ-ভক্তি কৰি গতি পাইলা, আঠৈৰ লোকৰ কিবা হোক? ইহাত শুনা, এই কৃষ্ণ-কথা শ্ৰদ্ধায়ে শ্ৰৱণ-কীৰ্ত্তন কৰি সেই গতি পাৱে; আত কিছো সংশয় নাই ॥”

॥ শ্ৰীভাগৱতকথায়াং প্ৰথমস্কন্ধে পাণ্ডৱপ্ৰয়াণং নাম পঞ্চদশোঽধ্যায়ঃ।

॥ সামাজিক লোক বোলা জয় ৰাম ॥

॥ শ্লোক ॥ নানাপ্ৰিয়তমঃ কৃষ্ণঃ নানাচাস্পদসম্পদঃ।
পঞ্চপাণ্ডৱবৃত্তান্তৈঃ স্ফুটং পঞ্চদশে স্থিতম্॥ ১৫ ॥

॥ ষোড়শ অধ্যায় ॥

॥ ধৰ্ম্ম-পৃথিৱীৰ সম্বাদ ॥

ষোড়শ অধ্যায়ে ধৰ্ম্ম-পৃথিৱীৰ সম্বাদ কহিবা।

সূতে বোলন্ত, "পাছে পৰম বৈষ্ণৱ পৰীক্ষিত ৰাজা ব্ৰাহ্মণ-শিক্ষায়ে পৃথিৱী পালিলা; উত্তৰৰ দুহিতা ইৰাৱতী কন্যাক বিহা কৰিলা। তাত জন্মেজয় আদি চাৰি পুত্ৰ জাত ভৈলা। তিনি অশ্বমেধ কৰিলা, যাত দেৱগণ প্ৰত্যক্ষে আছিলা। দিগ্বিজয়ত কলিক নিগ্ৰহিলা।"

শৌনকে পুছন্ত, "হে সূত, পৰীক্ষিতে নবধি কিসক কলিক নিগ্ৰহিলা, যাতো শূদ্ৰ হৈয়া ৰাজচিহ্ন ধৰি গোক চৰণে প্ৰহাৰে; আক আমাত কহিয়োক। যদি বিষ্ণু-বৈষ্ণৱৰ কথা শ্ৰেয়স হয়, আত বিনে আন মিছা কথাত কি কাৰ্য্য, যাতো লোকৰ আন কথায়ে বৃথায়ে আয়ু যাই? এতেকে আমাৰ সত্ৰ পাতিবাৰ ফল হৰি-কথা-শ্ৰৱণেসে।"

সূতে বোলন্ত, "যেখন পৰীক্ষিত ৰাজা নিজ ৰাজ্যত কলি-প্ৰৱেশৰ কথা শুনিলা, তেখনে ধনুশৰ ধৰি ৰথত চড়িয়া চতুৰঙ্গ দলে সাজি দিগ্বিজয় কৰিতে গৈলা। অনুক্ৰমে নৱ বৰিষক জিনি কৰভাৰ লৈলা। সেই সেই বৰিষত আপুনাৰ পিতামহসৱৰ হৰিভক্তি শুনি, আপুনাকো ব্ৰহ্মাস্ত্ৰত হন্তে কৃষ্ণে ৰাখিবাৰ শুনি, মহা সন্তোষে তাৰাসৱক বস্ত্ৰ-অলঙ্কাৰ দিলা; আৰো পাণ্ডৱসৱত শ্ৰীকৃষ্ণৰ স্নেহ অনুৱৰ্ত্তন শুনি আপুনিও কৃষ্ণৰ চৰণত ভক্তি কৰিলা। এমনে ৰাজা হৰি-ভক্তি কৰিতে সমীপতে যি আৰ্চৰ্য্য ভৈল, তাক শুনা।

"বৃষৰূপ ধৰ্ম্ম এক পাদে ফুৰন্ত, গোৰূপা পৃথিৱীক সলোতক দেখি পুছন্ত, 'হে কল্যাণী, তোমাৰ দেহত কিছো ব্যাধি নেদেখো। তথাপি

ম্লান মুখ দেখি মনে চিন্তা কৰা হেন মানো।' তাৰ কাৰণ কল্লি পুছন্ত, 'তোমাৰ স্বামী কি দূৰ গৈলা? কিবা একপাদ দেখি মোকে শোক কৰা? কিবা কলিত অনেক অন্যায় হইবে, তাকে চিন্তা কৰা? কিবা কালে তোমাৰ সৌভাগ্য হৰিলা? কিবা কৃষ্ণবিয়োগে তাহান লীলাক সুমৰি খেদ কৰা, যি লীলায়ে মোক্ষকো তুচ্ছ কৰে?'

"পৃথিৱী বোলন্ত, 'হে ধৰ্ম্ম, তুমি যি কথা পুছিছা, আক আপুনি জানা। তথাপি কহো। যাৰ প্ৰসাদে চাৰি পাদে আছিলা, যাহাত সকলে গুণ আছে; লক্ষ্মীৰো নিৰাস, হেন কৃষ্ণে বঞ্চিত লোকক শোক কৰো। তোমাৰো তিনি পদ টুটিবাৰ দেখি চিন্তা কৰো। আৰ সকল লোকক পাপী কলিয়ে পাইবাৰ দেখি খেদ কৰো। সবাতো কৰি কৃষ্ণ-বিৰহ দুঃসহ। ব্ৰহ্মাদিও বহুকাল লক্ষ্মীৰ কটাক্ষ আশায় বহুকাল তপ কৰন্ত; সি লক্ষ্মীও যাৰ পাদপদ্মক ভজন্ত, মঞো তাহান ধ্বজ-বজ্ৰাদি চিহ্নযুক্ত পদে অলঙ্কৃত হৈয়া তিনিও লোকত কৰি প্ৰকাশ কৰিলো। পাছে গৰ্ব্ব কৰিবাৰ দেখি মোক প্ৰভু এৰি গৈলা। যি ভগৱন্তে অসুৰ ৰাজাক মাৰি মোৰ ভাৰ হৰিলা, তোমাৰো চাৰি পাদ পূৰ্ণ কৰিলা, যাৰ হাস্য-কটাক্ষ-বাক্যে মানিনীৰো মান হৰে, যাৰ পদে অঙ্কিত হয়া ময়ো ৰোমাঞ্চিত হঞো, তাহান বিৰহ কোনে সহন্ত?' "

সূতে বোলন্ত, "এমনে ধৰ্ম্মক পৃথিৱী কৃষ্ণ-কথা কহিতে পৰীক্ষিত ৰাজা লাগ পাইলন্ত॥"

॥ শ্ৰীভাগৱতকথায়াং প্ৰথমস্কন্ধে ষোড়শোঽধ্যায়ঃ ধৰ্মভূমিসংৱাদকো নাম॥

॥ সৱ লোক ডাকি হৰি বোল হৰি॥

॥ শ্লোক॥ কৃষ্ণৱিশ্লেষসন্তপ্তভূমিধৰ্মকথামৃতং।
ষোড়শে কথিতং কৃষ্ণকথামোক্ষৰসাশ্ৰয়ম্॥ ১৬॥

॥ সপ্তদশ অধ্যায় ॥

॥ কলি-নিগ্ৰহ ॥

সতৰ অধ্যায়ে কলি নিগ্ৰহ কহিবা।

সূতে বোলন্ত, "তথাতে ৰাজা গোযুগল ৰাজবেশধৰ শূদ্ৰেক দেখিলা। শুক্লবৰ্ণ বৃষ ভয়তে কাম্পে ; এক পাদ মাত্ৰ আছে ; আৰো শূদ্ৰে কোবাৰে। ধেনুৰো বৎস নাই ; দুঃখত কান্দন্ত ; কৃশ হুইয়াছে ; শূদ্ৰে লাথি মাৰে। এমন দেখি ৰাজা ৰথত থাকি ধনু-শৰ ধৰি পুছন্ত, 'অৰে, কোন তঞি ? কেনে মোৰ ৰাজ্যত এতেক অন্যায় কৰস ? আজি তোক বধিবো। হে বৃষ, তুমি কোন ? কোনে তোমাৰ তিনি পাদ ভাঙ্গিলে, তাক কহা। তাৰ আজি বাহু কাটিবো, যাতো আমাৰ কীৰ্ত্তি নষ্ট কৰিলেক।' "

"ধৰ্ম্মে বোলন্ত, 'হে মহাৰাজা, তোমাৰ দুখীৰ দুঃখ-নিবাৰণ শুনিবাৰ যুক্ত হয়। কিন্তু আমি যাত হন্তে দুঃখ পাঞো, তাক নানা বাদীৰ বাদে মোহ হৈয়া নজানো। যাতো যোগীসবে দুঃখৰ কাৰণ আত্মাক কহে, দৈৱজ্ঞসবে গ্ৰহক কহে, মীমাংসকসবে কৰ্ম্মক কহে, বৌধসবে স্বভাৱ কহে, ভক্তসবে ঈশ্বৰক কহে, এতেকে আমি নিচয় কৰিতে নপাৰো। আক আপুনি বিচাৰ কৰা।' "

সূতে বোলন্ত, "ধৰ্ম্মৰ এহি বাক্য শুনি ৰাজা মনত গুণিলা, জানি বুলিলা, 'তুমি বৃষৰূপী ধৰ্ম্ম, যাতো পাপীকো জানিও নকহিলা ; কহিলে আপুনি পাপী হয়। তোমাৰ তপ, শৌচ, দায়া, সত্য, এহি চাৰি পাদ সত্য যুগত আছিল। অধৰ্ম্মে তিনি পাদ নাশ কৰিলে। আবে এক পাদ মাত্ৰ আছে, তাকে কলি নষ্ট কৰিতে চাৰে। এঞো গোৰূপা পৃথিৱী, যাৰ মহাভাৰ কৃষ্ণে হৰিলা ; ইদানীক তান বিয়োগে শোক কৰা। হে ধৰ্ম্ম, তুমি খেদ নকৰিবা। মঞি থাকিতে তোমাৰ কিছো ভয় নাই।"

সূতে বোলন্ত, "এমনে দুইকো আশ্বাস কৰি কলিক কাটিতে খাণ্ডা ধৰিলা। কলিও কাটিবাৰ দেখি মহা-ভয়ে তেখনে ৰাজচিহ্ন এৰি ৰাজাৰ চৰণত দণ্ডৱতে পৰিলা। ৰাজায়ো শৰণাগত দেখি নকাটি বোলন্ত, 'অৰে দুষ্ট কলি, আউৰ মোত হন্তে তোৰ মৰিবাৰ ভয় নাই। কিন্তু মোৰ ৰাজ্যত নথাকিবি। তুঞি ৰাজ্যত থাকিলে তোৰ গোষ্ঠী অধৰ্ম্ম, অন্যায়, দম্ভ, কপট ৰাজ্যত হৈবেক। এতেকে এখনে গুচ। আৰো যি ৰাজ্যত হৰি-ভক্তি শ্ৰৱণ-কীৰ্ত্তন কৰে, তাত কদাচিতো নাথাকিবি।"

সূতে বোলন্ত, "মহা ভয়ে কম্পমান হৈয়া কলি বোলয়, 'হে মহাৰাজা, মই গুহা-গহ্বৰত থাকিলেও তোমাত হন্তে ভয় নুগুচিব। এতেকে নিৰ্ণয় কৰি থান দিয়োক, যাত সপৰিবাৰে নিৰ্ভয়ে থাকিম।' "

"পৰীক্ষিতে বোলন্ত, 'জুৱা-পাশা, মদ্যপান, স্ত্ৰী-সুবৰ্ণ, প্ৰাণীহিংসা-স্থানত সপৰিয়াৰে নিৰ্ভয়ে থাক।"

সূতে বোলন্ত, "এহি পাঞ্চ ঠাইত কলি সপৰিয়াৰে বঞ্চিলা। এতেকে যি আপুনাৰ কুশল চাৰে, সি এতেক ঠাইত নপ্ৰৱৰ্ত্তিব, স্ত্ৰী-সুবৰ্ণতো আসক্তি নকৰিব। ৰাজা এহিমতে কলিক নিগ্ৰহি ধৰ্ম্মৰ তিনি পাদ জোড়াইলা; লোকতো হৰি ভক্তি প্ৰৱৰ্ত্তাইলা। পাছে মহাৰাজা মহাসুখে হস্তিনাপুৰত ৰাজ্য কৰিলা, যাৰ কালতে তোৰায়ো এহি সত্ৰ আৰম্ভিলা।"

॥ শ্ৰীভাগৱতকথায়াং প্ৰথমস্কন্ধে কলিনিগ্ৰহো নাম সপ্তদশোঽধ্যায়ঃ ॥

॥ হে সামাজিক লোক, বোল জয় ৰাম ॥

॥ শ্লোক ॥ হৰিভক্তিযুতে দেশে কলিশক্তিৰ্ন ৰিদ্যতে।
ইতি সপ্তদশাধ্যায়ে কথিতং কলিনিগ্ৰহে ॥ ১৭ ॥

॥ অষ্টাদশ অধ্যায় ॥

॥ পৰীক্ষিতৰ ব্ৰহ্মশাপ ॥

অঠৰ অধ্যায়ে ৰজাৰ ব্ৰহ্মশাপ কহিবা।

সূতে কহন্ত, "যেখন শ্ৰীকৃষ্ণ বৈকুণ্ঠক গৈলা, তেখন কলি প্ৰৱেশিও পৰীক্ষিত-ৰাজ্যত প্ৰভাৱ নকৰিলা, যাতো ৰাজা মহাগুণ দেখি দুষ্ট কলিকো নবধিল— যাত ইছা মাত্ৰে হৰিভক্তি হয়, পাপ পুন্যু কৰিলেসে হয়, আৰো হৰি-ভক্তক দেখি ভয় কৰে, অভক্তক বাঘে যেন ধাৱে। পাছে ৰাজা ব্ৰাহ্মণৰ শাপে তক্ষকত হন্তে মৃত্যুতো ভয় নকৰিলা; কিন্তু সৰ্ব্ব সঙ্গ তেজি শুক-মুখে কৃষ্ণক সাক্ষাতে জানি, তাহাঙ্কে চিন্তি গঙ্গাত দেহ এৰিলা। আক বিচিত্ৰ নেদেখিবা। যাৰা কৃষ্ণ-কথা শ্ৰৱণ-কীৰ্ত্তন কৰে, মনে পাদপদ্ম স্মৰে, তাৰা মৃত্যুত ভয় নকৰে। মই তোৰাসৰত কৃষ্ণ-কথা-যুক্ত পৰীক্ষিতৰ চৰিত্ৰ কহিলো; আন কি বিস্তৰ কহিবো? পুৰুষৰ এহিমানে কৰ্ত্তব্য, সদায়ে কৃষ্ণ-কথা শুনিব।"

শৌনকে পুছন্ত, "হে সূত, তুমি চিৰায়ু হৱা, যাতো কৃষ্ণ-কথা কহা, যে কথায়ে সংসাৰ গুচাৰে; আৰো নানান বিঘ্নি দেখি আমাৰ কৰ্ম্মতো বিশ্বাস গুচিল। ধূমে ধূম্ৰ-বৰ্ণ-কলেবৰ হৈল; এতেকে কেৱলে কৃষ্ণ-কথামৃত পান কৰাৱা, যাতো বিষ্ণু-ভক্তৰ একক্ষণো সঙ্গে স্বৰ্গ-মঞ্চ-মোক্ষ-সুখো তুল্য নুই। এতেকে সাধু-সঙ্গত হৰি-কথা শুনি তাৰ ৰস জানি কোনে তৃপিতি নহৈবেক? ব্ৰহ্মা, মহেশো যাৰ গুণৰ অন্ত নপান্ত, সেই কৃষ্ণ-কথা শুক-পৰীক্ষিত-সম্বাদে কহা, যাক শুনি ৰাজা মোক্ষ-নাম কৃষ্ণ-পাদ-মূল পাইলা, যাত ভক্তি-যোগ, কৰ্ম্ম-যোগ, জ্ঞান-যোগ কহিছে, সেই ভাগৱত-পুৰাণ সাৰশেষে কহা।"

সূতে বোলন্ত, "অহো, আজি আমাৰ জন্ম সাফল ভৈল, যাতো সন্তসৱে আদৰিলা। তোৰাৰ লগতে সামান্য কথাতো মঞি অকুলীন

হেন মনৰ চিন্তা গুচিল, হৰি-কথা কহিলে গুচিবে তাক কি বুলিবো ? ব্ৰহ্মাদিকো এৰি লক্ষ্মী যাৰ চৰণ সেৱা কৰা, যাৰ পাদোদক গঙ্গায়ে সব লোক পৱিত্ৰ কৰে, যাৰ ভক্তি পৰম গতি পাই, সেই কৃষ্ণ বিনে আন কোন পৰমেশ্বৰ আছে ? এতেকে তাহান কথা মতি অনুসাৰে কহো ; সাৱধানে শুনা।

"একদিনা পৰীক্ষিত ৰাজা ধনু-শৰ ধৰি মৃগয়া কৰিতে বনক গৈলা। মৃগক খেদি ক্ষুধায়ে-তৃষায়ে আকুল হৈয়া জল খুজিতে শমীক মুনিৰ আশ্ৰমে গৈলা। দেখন্ত মুনি চক্ষু মুদি সমাধি কৰি আছন্ত। এমন মুনিতো ক্ষুধায়ে তৃষায়ে শ্ৰান্ত হৈয়া জল খুজিলা। পাচে দান-সমিধান একো নপাই অৱজ্ঞা কৰিলে মানি ক্ৰোধ কৰিলা, 'ই ব্ৰাহ্মণে মিছায়ে সমাধি কৰি মোক নমাতিলা। আৰ আজি বল বুঝোঁ।' এহি বুলি মৰা সৰ্প ধনুৰ আগে আনি মুনিৰ গলত দিলা। সৰ্প দিয়া গৃহক গৈলা। পাছে তান পুত্ৰ শৃঙ্গী বাৰ্ত্তা পায়া ক্ৰোধে ছৱালসৱৰ আগতে বোলন্ত, 'অহো, ৰাজাৰ অন্যায় দেখ। দাস হৈয়া স্বামীক অপকাৰ কৰে। ব্ৰাহ্মণসৱে ক্ষত্ৰিয়সৱক ৰাজা পাতিছে ; সি কেনে আমাৰ দ্ৰোহ আচৰে ? দুষ্টৰ নিয়ন্তা কৃষ্ণ বৈকুণ্ঠ গৈলে আৰা এতেক অন্যায় কৰে। আজি মঞি দণ্ডিবো। মোৰ তপোবল দেখ।' এহি বুলি কৌশিকী-জলত আচন্ত হৈয়া 'ৰাজাক সপ্তম দিৱসত তক্ষকে দংশোক' বুলি শাপ দিলা। পাছে আশ্ৰমে আসি পিতৃৰ গলৰ সৰ্প দেখি উচ্চ কৰি কান্দন্ত। পুত্ৰৰ বিলাপ শুনি শমীকে চক্ষু মেলি সৰ্প গুচাই পুছন্ত, 'হে বালক, কেনে ক্ৰন্দন কৰস ? কোনে তোক অপকাৰ কৰিলেক ?' পাছে শৃঙ্গী ৰাজাক শপিবাৰ কথা কহিলা। তাক শুনি পুত্ৰক নিন্দা কৰন্ত, 'অহো দুষ্ট পুত্ৰ, কি অন্যায় কৰিলি, ৰাজাকো শপিলি। যাতো ৰাজা নষ্ট হৈলে লোকত চৌৰ-খণ্ট হৈবেক, প্ৰজায়ো নানা দুঃখ পাইবেক, সি পাতেকে তোক পাইবেক। বিশেষত পৰীক্ষিত ৰাজ-চক্ৰৱৰ্ত্তী, মহা ধৰ্ম্মপৰ, আৰো হৰি-ভক্ত ; মহাশ্ৰান্ত হৈয়া আমাত জল খুজি নাপাইলন্ত। তাক কেনে শাপ দিলি ?' ই পাপৰ আন

প্ৰায়চিত্ত নেদেখি কৃষ্ণক প্ৰাৰ্থন্ত, 'হে কৃষ্ণ, অনাঅপৰাধী তোমাৰ ভক্তক অবোধ ছৱালে অপকাৰ কৰিলে। তাক সৰ্ব্বাত্মা তুমি ক্ষমা কৰা।' "

সূতে বোলন্ত, "হৰি-ভক্তসৱে অপকাৰ কৰিলেও সমৰ্থ হুই প্ৰতিকাৰ নকৰন্ত। এতেকে শমীকেও পুত্ৰৰ অপকাৰে তাপিত হৈয়া ৰাজাৰ অপকাৰ নুগুণিলা, যাতো সাধুসৱে পৰৰ দুঃখসে দুঃখিত, আপুনাৰ দুঃখক নুগুণে॥"

॥ শ্ৰীভাগৱতকথায়াং প্ৰথমস্কন্ধে ৱিপ্ৰশাপো নাম অষ্টাদশোঽধ্যায়ঃ॥

॥ সৱ লোক ডাকি বোলা জয় ৰাম॥

॥ শ্লোক॥ স্পষ্টস্বভাগ্যসিদ্ধান্তশাপতাপানুৱৰ্ণনে॥
অষ্টাদশে সুনিৰ্ণীতং সৎকথাশ্ৰৱণং নৃণাম্॥ ১৮॥

॥ ঊনৱিংশ অধ্যায়॥

॥ পৰীক্ষিতৰ বৈৰাগ্য, শুকৰ আগমন॥

ঊনৈশ অধ্যায়ে ৰাজাৰ বৈৰাগ্য, শুকৰ আগমন কহিব।

সূতে বোলন্ত, "পাছে পৰীক্ষিত ৰাজা গৃহে আসি স্নান পান ভোজন কৰি মনত গুণন্ত, 'অহো, মঞি কি অন্যায় কৰিলো! বিনা অপৰাধে ব্ৰাহ্মণৰ গলত সাপ দিলো। এই অপৰাধে মোৰ মহা দুঃখ হোক; তেবে সেই পাপৰ প্ৰায়চিত্ত হয়া পুনু যেন এমন অন্যায় নকৰো। আৰো এখনে মোৰ ৰাজ্য-ভাৰ সম্পত্তি নাশ হোক। তেৱেসে ব্ৰাহ্মণ-বৈষ্ণৱক অপকাৰ কৰিতে মন নুহিবেক। এমন চিন্তিতে শমীকৰ শিষ্যে কহিলেক, 'ৰাজা, তোমাক শৃঙ্গীৰ শাপে সাত দিনত তক্ষকে দংশিবেক। যেমন পাৰা সাৱধান হৱা।' তাক শুনি ৰাজা ভাল পাইলা। পাছে জন্মেজয় পুত্ৰক ৰাজ্যভাৰ দিয়া

বিশিষ্ট মৰণ ইছায়ে গঙ্গাতীৰ গৈলা; সকল সঙ্গ এৰি কৃষ্ণৰ চৰণ চিন্তিতে লাগিলা।

"তেখনে তীৰ্থ-যাত্ৰা-ছলে ৰাজাক দেখিতে জগত-পাৱন মুনিগণ শিষ্য সমে আসিলা। তাৰাসৱক দেখি ৰাজা পাদ্য-অৰ্ঘ্য-আচমনীয় দিয়া নমস্কাৰ কৰি পূজা কৰিলা। তাৰা সুখে বসিলে ৰাজা পুনু প্ৰণাম কৰি অঞ্জলি ধৰি গোচৰ কৰন্ত, 'হে মহা মুনিসৱ, ৰাজাৰ মাজত আমি ধন্যতম, যাতো তোৰা আসি অনুগ্ৰহ কৰিলা; ইটো ৰাজাৰ পৰম দুৰ্লভ। মই পাপীৰ বিপ্ৰশাপ কৃষ্ণৰ অনুগ্ৰহেসে ভৈল, যি শাপে গৃহাসক্তো বিৰক্ত হৱে। এতেকে মই শ্ৰীকৃষ্ণত শৰণ লৈলো, আক তোৰা জানিবা। মাৱ গঙ্গা, তুমিও জানিবা। মোক তক্ষকে খাউক, তাত কিছো চিন্তা নাই। কিন্তু তোৰা হৰি-কথা কহিয়োক। আৰো মোৰ যেই সেই জন্ম হৈলেও কৃষ্ণত ৰতি হৌক, আৰো বৈষ্ণৱৰ সঙ্গ হৌক; ভূত-দায়া নচাৰোক; এহিমানে প্ৰাৰ্থনা কৰো।' "

সূতে বোলন্ত, "ৰাজা এহি নিচয় কৰি গঙ্গাৰ দক্ষিণ কূলে উত্তৰ মুখে কুশাসনে বসিলা। তাক দেখি দেৱতাসৱে দুন্দুভি বাদ্য কৰি সাধু সাধু বুলি পুষ্প বৰিষিলা। ঋষিসৱে প্ৰশংসা কৰি বোলন্ত, 'হে মহাৰাজা, তোমাৰ নিচয় ই চিত্ৰ নহে, যাতো তোমাৰ পিতামহ পাণ্ডৱসৱে কৃষ্ণক আশায়ে সাৰ্ব্বভৌম পদ ক্ষেণেকে এৰিলা। এতেকে যাৱে দেহ এৰি পৰম গতি পাৱা, তাৱে আমি ৰহিম।'

"ঋষিসৱৰ এহি বাক্য শুনি ৰাজা পুনু প্ৰণাম কৰি হৰি-কথা-শ্ৰৱণ-ইছায়ে বোলন্ত; 'হে মহামুনিসৱ, মোক কৃপায়ে নানা থান হন্তে আসিছা। এতেকে তোৰাসৱত প্ৰশ্ন কৰো।—পুৰুষৰ মৰণ-সময়ত কি কৰ্ত্তব্য, তাক নিৰ্ণীত কৰি কহিয়োক।' তাতে কেহো যাগ; কেহো যোগ; কেহো তপ; কেহো জপ; কেহো যজ্ঞ; কেহো দান কহন্ত। সৱাৰে একমতি নহে; ৰাজায়ো সিদ্ধান্ত নপান্ত।

"তেখনে ব্যাসৰ নন্দন শ্ৰীশুকদেৱ উপসন্ন হৈল, যাতো নিৰপেক্ষ হৈয়া যদৃচ্ছয়া পৃথিৱী ফুৰন্ত; অৱধূত বেশ দেখি লোকে চিনিতে নপাৰে; ছৱালগণে আৱৰি ফুৰয়; শ্যাম-শৰীৰ, দিগম্বৰ, প্ৰলম্ব-বাহু, নীলাকুঞ্চিত-কেশ, সৰ্ব্বাঙ্গ-সুন্দৰ, কৃষ্ণৰ-সমান-ৰূপ। তাঙ্ক দেখি তেখনে মুনিসৱ উঠিলা। পাছে পৰীক্ষিত ৰাজা দণ্ডৱতে নমস্কাৰ কৰি আপুনি চৰণ ধুৱাইলা। পাদ্য-অৰ্ঘ্য, আচমনীয়-মধুপৰ্ক দিয়া বস্ত্ৰ-অলঙ্কাৰে গন্ধ-চন্দন-পুষ্পে ভূষিত কৰাইলা; ধূপ-দীপ, নৈৱেদ্য আগ কৰি দেহ অৰ্পিলা। তাক দেখি অবোধ ছৱাল স্ত্ৰীসৱ নিৱৰ্ত্তিয়া গৈলা।

"পাছে শ্ৰীশুকদেৱ দেৱঋষি-ব্ৰহ্মঋষি-ৰাজঋষি-যুক্ত সভাৰ মধ্যত বসি নক্ষত্ৰৰ মাজে চন্দ্ৰ হেন প্ৰকাশ কৰিলা। শান্ত সৰ্ব্বজ্ঞ শুকক ৰাজা পুনু প্ৰণাম কৰিলা, অঞ্জলি কৰি পুছন্ত, 'হে মহামুনি, কৃপায়ে আমাৰ থানক আসিলা, আমাক পৱিত্ৰ কৰিলা। তোমাক সুমৰিলে লোক সদ্যে শুদ্ধ হয়; দৰ্শন, পৰ্শন, পাদ-প্ৰক্ষালন কৰি শুদ্ধ হৈবেক, তাক কি বুলিবো। আজি মোত পাণ্ডৱৰ প্ৰিয় কৃষ্ণ তুষ্ট হৈলা; তাৰাৰ প্ৰীতিৰ অৰ্থে তোমাক পঠাই মোক স্বীকাৰ কৰিলা। কৃষ্ণ-কৃপা বিনে মৰণ-সময়ে কেনে তোমাক দেখিলো হুই? এতেকে তোমাত মই প্ৰশ্ন কৰো।—পুৰুষৰ মৰণ সময়ত কি কৰ্ত্তব্য? কি অকৰ্ত্তব্য? কাক ভজিব? কি শুনিব? কি জপিব? কি চিন্তিব? আক মোক এখনে কহিয়োক, যাতো গৃহস্থৰ গৃহত তোমাক গোদোহন-কাল নেদেখি।"

সূতে বোলন্ত, "এমনে ৰাজা মধুৰ বচনে প্ৰশ্ন কৰিলে শ্ৰীশুকে প্ৰসন্ন হৈয়া কহিতে লাগিলা॥"

॥ শ্ৰীভাগৱতকথায়াং কৱিৰত্নকৃতায়াং প্ৰথমস্কন্ধে ৰাজাৰ বৈৰাগ্য শুকাগমনং নাম ঊনবিংশোঽধ্যায়ঃ॥

॥ ই কন্ধ এহিমানে সমাপ্ত। হে সামাজিকসৱ, এহিমানে প্ৰথম কন্ধৰ সংক্ষেপে সাৰ তুলি নিবন্ধিলো। আত কৃষ্ণ-কথা বুলি বৈষ্ণৱে

ৰতি কৰন্ত, পণ্ডিতসৱো শ্ৰম দেখি আদৰন্ত, সামান্যজনো সুগম দেখি সততে শুনিবন্ত। যদি কেহো জনে হঠাতে অৰ্থ নেদেখি নিন্দা কৰন্ত, তাঙ্কো প্ৰিয় বাক্য বোলো,—ভাষ্য-টীকা, পূৰ্ব্বাপৰ-সম্প্ৰদায় দেখি যদি অৰ্থ নেদেখা, তেবে নিন্দা কৰিবা। তথাপি মোৰ দোষ নাই; সাগৰ-সঙ্কাশ শ্ৰীভাগৱত; মঞি পৰমাণু-প্ৰায় কি কথা তুলিবো? কিন্তু শ্ৰীদামোদৰ-আজ্ঞায়ে মতি অনুসাৰে কহিলো। আক শুনিলে কহিলে পুনু মহাফল আছে। এহি কন্ধত পঞ্চম অধ্যায়ত নাৰদে কহিছন্ত, যেই সেই বাক্যে হৰিগুণ-যুক্ত হৈলে জগৎ পৱিত্ৰ কৰে: মহন্তসৱো শ্ৰৱণ কীৰ্ত্তন কৰে। আক জানি কৃষ্ণকথা নিতে কহিয়োক শুনিয়োক, যাতো কলিযুগে লোকৰ আনমতে নিস্তাৰ নাই। মঞো কায়-বাক্য-মন শুদ্ধ কৰিতে কৃষ্ণকথা নিবন্ধিলো। আক জানি সব লোক ডাকি বোলা জয় কৃষ্ণ ৰাম॥

॥ শ্লোক ॥ নৃণামাসন্নমৃত্যুনাং প্ৰথমান্তে নিৰূপিতম্
কৃত্যং কৃষ্ণপদাম্ভোজশৰণন্ত যথাৰুচি॥
সমাপ্তা প্ৰথমস্কন্ধকথা সংক্ষিপ্তৰূপিণী।
লিখিতা কৱিৰত্নেন বৈষ্ণৱপ্ৰীতিদায়িনী॥
ৱন্দে দামোদৰং দেৱং সৎকথাশ্ৰৱণোৎসুকং।
যদাজ্ঞয়া ময়া কৃষ্ণকথা লোকহিতা কৃতা॥ ১৭॥

॥ শ্ৰীকৃষ্ণায় নমঃ ॥

॥ প্ৰথম স্কন্ধ সমাপ্ত ॥ ১ ॥

MOTI RAM BORA BALIKA VIDYAPITH
Estd 1963
P.O. NOWGONG ASSAM.